সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ,৫২ সংখ্যা, ১৩ কাতি, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 52 Date Of Publication - 29 December 2024 Rs.10.00/-

## ৰাষ্ট্ৰীয় মৰ্যাদাৰে নিগমবোধ ঘাটত শেষকৃত্য সম্পন্ন ড° মনমোহন সিঙৰ





ৰঙিলী বাৰ্তাসেৱা- পঞ্চভূতত বিলীন হ'ল প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ নশ্বৰ দেহ। ৰাষ্ট্ৰীয় মৰ্যাদাৰে দেশৰ ৰাজধানী নতুন দিল্লীৰ নিগমবোধ ঘাটত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য সম্পন্ন কৰা হয়। নিগমবোধ ঘাটত প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ নশ্বৰদেহত অন্তিম শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতে শিখ পৰম্পৰাৰে জ্যেষ্ঠ কন্যাই মুখাগ্নি কৰে।ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গান্ধী পৰিয়ালৰ সদস্য, বিশিষ্ট ৰাজনীতিক, ভূটানৰ ৰজা, মৰিছাছৰ বিদেশ মন্ত্ৰীৰ লগতে গুণমুগ্ধৰ উপস্থিতিত প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য সম্পন্ন কৰা হয়। যোৱা ২৬ ডিচেম্বৰৰ নিশা দিল্লীৰ এইমছত ৯২ বছৰীয়া প্ৰাক্তন প্ৰধানমন্ত্ৰী, অৰ্থনীতিবিদ ড° মনমোহন সিঙৰ বিয়োগৰ পিছত তেওঁৰ নশ্বৰদেহ

(দহ পৃষ্ঠাত চাওক)

### সম্পাদকীয় শিতান...

## অতীতৰ শিক্ষাৰে নতুনক আদৰোঁ




দেৱাশীষ গোস্বামী, নগাওঁ

আৰু মাত্ৰ কেইটামান মূহুৰ্ত, বিদায় বেলাৰ সন্ধিক্ষণত সমগ্ৰ বিশ্ববাসী। নতুন এখন কেলেণ্ডাৰৰ আগমনৰ প্ৰতীক্ষাত আমিবোৰ।

হয়, মাত্ৰ কেলেণ্ডাৰ খনহে নতুন। আমিবোৰ, আমাৰ নিত্য নৈমিত্তিক কৰ্মবোৰ, চিন্তাধাৰা তথা অন্যান্য আনুষংগিক বিষয় সমূহ যি আমাৰ দৈনন্দিন জীৱন প্ৰনালীৰ লগত জড়িত, একেই মাথো লিখোতে নতুন দিনাংকৰে পৃষ্ঠা শুৰনি।

মানুহ হৈ জন্মলৈ, আমৃত্যু পৰ্য্যন্ত প্ৰত্যেকতো দিনেই জীৱন নামৰ কিতাপখনৰ একো একোটা পৃষ্ঠা। সচৰাচৰ আমি এখন কিতাপ পঢ়িবলৈ আগ্ৰহ তেতিয়াহে প্ৰকাশ কৰোঁ, যেতিয়া কিতাপখনৰ প্ৰত্যেকতো পৃষ্ঠা অতি আকৰ্ষণীয় হয়। পৃথিৱীলৈ আহি বুজা হোৱাৰে পৰা প্ৰথম কিতাপ এখন হাতত তুলি দ্বিতীয়বাৰ সেই কিতাপখনৰ ওচৰলৈ আমি তেতিয়াহে যাওঁ যেতিয়া কিতাপখনত থকা বিষয় সমূহে আমাৰ মনত ধনাত্মক ৰেখাপাত কৰে। ঠিক সেইদৰেই মানুহহৈ জন্ম লভি আমাৰ জীৱনৰ পৃষ্ঠা সমূহ যদি আৰ্কষণীয় তথা আনৰ আৰ্হিমূলক ভাবে উপস্থাপন কৰিব নোৱাৰো,সোণালী আখৰেৰে জীৱন নামৰ কিতাপখনত নিজৰ নামটো খোদিত কৰাতো অসম্ভৱ তথা লেখক জন কালৰ অটল গহ্বৰত খুব সোনকালেই হেৰাই যায়।

আমি প্ৰত্যেকজনেই একো একোজন লিখক ।লিখক আমি আমাৰ জীৱন নামৰ কিতাপখনৰ।

( তিনিপৃষ্ঠাত চাওক)

## পঞ্চভূতত বিলীন হ'ল কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল কুমাৰ গোস্বামী



ৰঙিলী বাৰ্তাসেৱা- পঞ্চভূতত বিলীন হ'ল কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট বিজ্ঞানী, শিক্ষাবিদ ড° অনিল কুমাৰ গোস্বামী। দীৰ্ঘদিনীয়া বাৰ্ধক্যজনিত অসুস্থতাৰ অন্তত শুকুৰবাৰে শিলপুখুৰীৰ নিজ বাসভৱনত দেহাৱসান ঘটে বিশিষ্ট শিক্ষাবিদগৰাকীৰ। শনিবাৰে পুৱাৰ ভাগত পৰিয়াল তথা গুণমুগ্ধই বাসভৱনত শ্ৰদ্ধা জ্ঞাপন কৰাৰ পিছতে বিশিষ্ট শিক্ষাবিদগৰাকীৰ মৃতদেহ শিলপুখুৰীৰ বাসভৱনৰ পৰা পোনে পোনে কটন বিশ্ববিদ্যালয়লৈ নিয়া হয়। কটন মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱাৰ পূৰ্বে পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰূপে তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। দিনৰ ১২ বজাত মৃতদেহ কটন বিশ্ববিদ্যালয়লৈ অনাৰ পিছতে শিক্ষক, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ আৰু কৰ্মচাৰীসকলে শিক্ষাবিদগৰাকীক শেষ শ্ৰদ্ধা

(দহ পৃষ্ঠাত চাওক)

## দেশৰ বজাৰত প্ৰচলিত ১১১বিধ ঔষধ চিডিএছচিঅ'ই চলোৱা মান পৰীক্ষণত বিফল



ৰঙিলী বাৰ্তাসেৱা- চেণ্ট্ৰেল ড্ৰাগছ ষ্টেণ্ডাৰ্ড কণ্ট্ৰ'ল অৰ্গেনাইজেচন (চিডিএছচিঅ')ই চলোৱা ঔষধৰ মান নিৰীক্ষণ পৰীক্ষাত বহুল ভাৱে প্ৰচলিত ১১১বিধ ঔষধ মান পৰীক্ষণত বিফল হৈছে। অৰ্থাৎ বজাৰত প্ৰচলিত ১১১বিধ ঔষধ নিম্নমানৰ। চিডিএছচিঅ'ই প্ৰকাশ কৰা মতে, ১১১ বিধ ঔষধৰ ভিতৰত ৪১বিধ কেন্দ্ৰীয় লেবৰেটৰীত পৰীক্ষণ কৰাৰ বিপৰীতে ৭০বিধ ঔষধ ৰাজ্যিক লেবৰেটৰীত পৰীক্ষা কৰা হৈছে। এই ঔষধৰ নমুনা পৰীক্ষণ কৰাত ঔষধকেইবিধ নিম্নমানৰ বুলি

(দহ পৃষ্ঠাত চাওক)

# প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙক ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ অন্তিম শ্ৰদ্ধা জ্ঞাপন



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ বিয়োগক লৈ ম্ৰিয়মাণ দেশবাসী। বৃহস্পতিবাৰে নিশা দিল্লীৰ এইমত বিয়োগ ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ ৰাজধানী চহৰখনৰ মতিলাল নেহৰু পথত থকা বাসভৱনত পুৱাৰে পৰা নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ড° মনমোহন সিঙৰ বাসভৱনলৈ গৈ তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাসভৱনলৈ গৈ ড° মনমোহন সিঙৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ মৃত্যু দেশৰ অপূৰণীয় ক্ষতি বুলি শোক প্ৰকাশ কৰে। কংগ্ৰেছ নেতৃত্বাধীন ইউপিএৰ একেৰাহে দুটাকৈ কাৰ্যকালৰ প্ৰধানমন্ত্ৰী তথা প্ৰবীণ কংগ্ৰেছী নেতা ড° মনমোহন সিঙৰ বাসগৃহত কংগ্ৰেছৰ শীৰ্ষ নেত্ৰী ছোনিয়া গান্ধী, সাংসদ ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পুষ্পমালাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড° মনমোহন সিঙৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাসহ বিভিন্ন ৰাজনৈতিক দলৰ মুৰব্বী, কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে অন্তিম শ্ৰদ্ধাঞ্জলি জনায়। ড° মনমোহন সিঙৰ নিজা বাসভৱনত পুৱাৰে পৰা নিশালৈকে প্ৰয়াত ৰাষ্ট্ৰনেতা সিঙৰ নশ্বৰ দেহত অগণন



লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কন্যাৰ স্বদেশলৈউভতি অহাৰ বাবেই শনিবাৰে ড° মনমোহন সিঙৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। দেশৰ চতুৰ্দশ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ নশ্বৰ দেহ শোকাকুল পৰিৱেশত শেষকৃত্য সম্পন্ন কৰাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰৰ সকলো কাৰ্যালয় প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই অৰ্দ্ধছুটী ঘোষণা কৰা হৈছে। ৭ দিন ধৰি ৰাষ্ট্ৰীয় শোক পালন কৰা হ'ব। ১ জানুৱাৰীলৈকে প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি সন্মান জনাই ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। বিদেশত সকলো উচ্চায়ুক্তৰ কাৰ্যালয়তো ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ বিয়োগত শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে তেওঁৰ মৃত্যু দেশৰ বাবে গুৰুত্বপূৰ্ণ ক্ষতি। তেওঁ এজন সংহতি, মানৱতা আৰু বুদ্ধিদীপ্ত প্ৰজ্ঞাৰ নেতা

(দহ পৃষ্ঠাত চাওক)

# প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ মৃত্যুত ৭ দিনীয়া ৰাজ্যিক শোক

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙক হেৰুৱাই শোকস্তব্ধ সমগ্ৰ দেশবাসী। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে অসম চৰকাৰে সাত দিনীয়া ৰাজ্যিক শোক পালনৰ কথা ঘোষণা কৰিছে। এই সময়ছোৱাত ৰাজ্য চৰকাৰৰ সকলো কাৰ্যালয়-প্ৰতিষ্ঠানতে অৰ্ধনমিত হৈ থাকিব ৰাষ্ট্ৰীয় পতাকা। লগতে এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক কাৰ্যসূচী বাতিল কৰা হৈছে।



সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰী কৰিছে। আনহাতে, প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুত গভীৰ শোক ব্যক্ত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ড° মনমোহন সিঙৰ পৰলোকগমনত ৰাষ্ট্ৰই এগৰাকী মহান দেশপ্ৰেমী, বিদগ্ধ পণ্ডিত, এগৰাকী অগতানুগতিক ৰাজনীতিবিদক হেৰুৱালে বুলি উল্লেখ কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয়- ১৯৯১ চনৰ পৰা ড° মনমোহন সিঙৰ সান্নিধ্যৰ সৌভাগ্য লাভ কৰিছিলোঁ। সেই বৰ্ষতে প্ৰথমবাৰৰ বাবে অসমৰ পৰা তেওঁ ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু ধাৰাবাহিকভাৱে তেওঁ ২৮ বছৰ ধৰি অসমক প্ৰতিনিধিত্ব কৰিছিল। ড° সিঙৰ বিনম্ৰতা

(নপৃষ্ঠাত চাওক)

# ৰঞ্জন কুমাৰ মেধিৰ The Lost Empire আৰু Deepor Beel গ্ৰন্থ উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বিশিষ্ট প্ৰকৃতিপ্ৰেমী তথা হাতী বিশেষজ্ঞ শ্ৰীযুত ৰঞ্জন কুমাৰ মেধী আৰু বিশিষ্ট লেখক-প্ৰকাশক "বৰুৱা অফছেট প্ৰেছ এণ্ড পাব্লিচাৰ্ছৰ স্বত্বাধীকাৰী প্ৰিয়ংকু নাৰায়ণ বৰুৱাৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাব প্ৰেক্ষাগৃহত এখন গ্ৰন্থ উন্মোচন অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰুৱা অফছেট প্ৰেছ এণ্ড পাব্লিচাৰ্ছৰ দ্বাৰা প্ৰকাশিত The Lost Empire (Elephantlore of Assam), ভাৰতবৰ্ষৰ অসম প্ৰদেশত উপলব্ধ এছিয়া মহাদেশীয় হাতীৰ ওপৰত বৰ্ণিত ইংৰাজী ভাষাত লিখা এখন সমল গ্ৰন্থ। আনহাতে "Deepor Beel (The only Ramsar site of Assam)" গুৱাহাটীৰ সমীপৰ বৃহৎ এলেকাৰ জলভাগেৰে বিস্তৃত ৰামছাৰ বিলৰ বিভিন্ন দিশ সম্বলিত ইংৰাজী ভাষাত লিখা এখন গ্ৰন্থ। লিখক ৰঞ্জন কুমাৰ মেধি এজন নিষ্ঠাবান পৰিৱেশ কৰ্মীৰ উপৰিও তেওঁ বিভিন্ন সমাজ কল্যাণ মূলক সংগঠনৰ দায়িত্বত কাৰ্য্যবাহ কৰি থকা এজন সক্ৰিয় সমাজকৰ্মী। মেধিয়ে যোৱা ২৯ বছৰ ধৰি ভাৰত আৰু থাইলেণ্ডত এচিয়া মহাদেশৰ হাতীৰ আচৰণ আৰু কাৰ্যকলাপ সম্পৰ্কে গৱেষণা কৰি আহিছে। তেওঁ অসমত বাস কৰা হাতীৰ সকলো বৈশিষ্ট্য, প্ৰকৃতি, জীৱন শৈলী আৰু লগতে

(নপৃষ্ঠাত চাওক)

# মণিকাঞ্চন সম্পন্ন ক্ষেত্ৰত এবিভিপিৰ ৩০ সংখ্যক ৰাজ্যিক অধিৱেশন



ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৩০ সংখ্যক ৰাজিক লখিমপুৰৰ মণিকাঞ্চন সমন্বয় ক্ষেত্ৰতত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পোন্ধৰ শতাধিক প্ৰতিনিধিৰ উপস্থিতিত আৰম্ভ হয়। ২৭, ২৮, ২৯ ডিচেম্বৰ ২০২৪ তাৰিখত অনুষ্ঠিত হবলগীয়া এই অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ডাঃ বীৰেন্দ্ৰ সিং সোলাংকীয়ে বিশেষ ভাৱে উপস্থিত থাকে। অধিৱেশনৰ প্ৰথম দিনাখনত ড° ৰীতামণি বৈশ্য পুনৰ বাৰৰ বাবে ৰাজ্যিক সভাপতি আৰু হেৰম্ব মহনক পুনৰ ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক সম্পাদক হিচাপে নিৰ্বাচিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ডাঃ বীৰেন্দ্ৰ সিং সোলংকীয়ে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰ নিৰ্মাণত এবিভিপিৰ ভূমিকাৰ সম্পৰ্কে উল্লেখ কৰি অসমৰ প্ৰেক্ষাপতত এবিভিপিৰ ভূমিকাৰ সম্পৰ্কে আলোচনা কৰে।

# প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিং আৰু নাই। ৯২ বছৰ বয়সত নতুন দিল্লীৰ এইমছত শেষ নিশ্বাস ত্যাগ কৰে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে। গুৰুতৰভাৱে অসুস্থ প্ৰাক্তন প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰনেতা ড° মনমোহন সিঙক দিল্লীৰ এইমছত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। ড° মনমোহন সিঙে এই বছৰৰ আগভাগত ৰাজ্য সভাৰ সদস্যৰূপে কাৰ্যকাল সামৰি উচ্চসদনত তেওঁৰ ৩৩ বছৰীয়া ৰাজনৈতিক জীৱনৰ অন্ত পেলাইছিল। তেওঁ ৰাজ্য সভাত পাঁচবাৰ অসমক প্ৰতিনিধিত্ব কৰিছিল। পাছত ২০১৯ চনত তেওঁ ৰাজস্থানৰ পৰা ৰাজ্য সভালৈ নিৰ্বাচিত হয়। ভাৰতীয় অৰ্থনীতিৰ উত্তৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা অৰ্থনীতিবিদ ড° মনমোহন সিঙে একেৰাহে কংগ্ৰেছ নেতৃত্বাধীন ইউপিএ চৰকাৰৰ দুবাৰকৈ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। ড° মনমোহন সিং প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ পূৰ্বে দেশৰ বিত্তমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি অৰ্থনীতিৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। ২০০৪ চনৰ পৰা ২০১৪ চনলৈকে একেৰাহে দুবাৰকৈ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱা ড° মনমোহন সিং হৈছে দেশৰ প্ৰথমগৰাকী শিখ প্ৰধানমন্ত্ৰী। দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ পিছত পাঁচ বছৰ সম্পূৰ্ণ কাৰ্যকাল সম্পন্ন কৰি দুবাৰকৈ প্ৰধানমন্ত্ৰী হোৱা ড° মনমোহন সিঙৰ ১৯৩২ চনৰ ২৬ ছেপ্টেম্বৰত অবিভক্ত ভাৰতৰ পশ্চিম পঞ্জাবৰ গাহত (বৰ্তমান পাকিস্তান) জন্মগ্ৰহণ কৰে। ১৯৪৭ চনত ভাৰত বিভাজনৰ ফলত পৰিয়ালৰ সৈতে ভাৰতলৈ প্ৰব্ৰজন কৰা ড° মনমোহন সিঙে অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত ডক্টৰেট (দহ পৃষ্ঠাত চাওক)

# মন্ত্ৰী প্ৰশান্ত ফুকন মুৰ্দাবাদ ধ্বনি চাহ জনগোষ্ঠীয় লোকৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ত বিজেপিৰ মধ্যমণ্ডল সমিতিৰ সভাপতি প্ৰণৱ তাঁতীক সভাপতি হিচাপে নিযুক্তি দি এসপ্তাহ নৌহওঁতে পুনৰ ৰাজু বৰাক সেই পদত নিযুক্তি দিয়াত ক্ষোভিত হৈ পৰিছে চাহ জনগোষ্ঠীৰ বিজেপিৰ কৰ্মীসকল।পদবী পুনৰ ঘূৰাই নিদিলে চাহ বাগানত মন্ত্ৰী ফুকনৰ প্ৰৱেশ নিষেধ কৰাৰ হুংকাৰ চাহ জনগোষ্ঠীয় নেতাৰ। মন্ত্ৰী প্ৰশান্ত ফুকনে নিজৰ খেয়াল খুচি মতে ১৭ ডিচেম্বৰত ৰাজ্যিক বিজেপিয়ে মধ্য মণ্ডলৰ সভাপতি হিচাপে প্ৰণৱ তাঁতীক নিযুক্তি দিছিল যদিও ৭ দিনতে তাঁতীক আঁতৰাই ডিব্ৰুগড় সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনৰ ঘনিষ্ঠ ৰাজু বৰাইক নামৰ ব্যক্তিজনক সভাপতিৰ দায়িত্ব দিয়া কাৰ্য্যক ডিব্ৰুগড়ৰ চাহ জনগোষ্ঠীৰ বিজেপিৰ কৰ্মীসকলে মানি ল'ব পৰা নাই। কৰ্মী সকলে 'মন্ত্ৰী প্ৰশান্ত ফুকন মুৰ্দাবাদ' ধ্বনিৰে মুখৰিত হৈ পৰে। বিজেপিৰ কৰ্মীসকলে কৰা অভিযোগ মতে এখন হোটেলত বহি টকাৰ লেনদেন হৈছিল আৰু সেয়েহে মন্ত্ৰীয়ে নিজৰ সুবিধাৰ বাবেই উঠা বহা কৰিব পৰা ব্যক্তিক সভাপতি পাতিলে। ইতিমধ্যে বিজেপিৰ চাহ জনগোষ্ঠীসকলৰ এটা দলে ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক সভাপতি ভৱেশ কলিতাক সাক্ষাৎ কৰি সকলো কথা কৈছিল যদিওঁ তেঁওলোকে কথাটোত কোনোৰে গুৰুত্ব নিদিলে। ক্ষোভিত কৰ্মীসকলে সংবাদ মাধ্যমৰ আগত কয় যে বিজেপিয়ে সন্মান দি সন্মান নষ্ট কৰিলে আৰু আগন্তুক নিৰ্বাচনত ইয়াৰ ফল ভোগ কৰিব লাগিব। তাঁতীৰ বিৰুদ্ধে কোনো ধৰণৰ অভিযোগ (দহ পৃষ্ঠাত চাওক)

# প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ বিয়োগত গভীৰ শোক প্ৰকাশ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, "ভাৰতৰ অৰ্থনৈতিক সংস্কাৰ সাধনত অগ্ৰণী ভূমিকা পালন কৰা মনমোহন সিংহে প্ৰধানমন্ত্ৰী হিচাপে গুৰুত্বপূৰ্ণ দেশসেৱা আগবঢ়াই থৈ গৈছে। সদায় শালীনতা, সততা আৰু সন্মানেৰে তেওঁল দায়িত্ব চম্ভালিছিল। ড° মনমোহন সিঙে নম্ৰতা, সমৰ্পিত সেৱাৰ মনোভাৱক মূৰ্ত কৰি তুলিছিল আৰু এক কঠিন সময়ত ভাৰতৰ অৰ্থনৈতিক পুনৰুত্থানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। জনসাধাৰণৰ কল্যাণৰ বাবে তেওঁৰ নীতিসমূহ সুদূৰপ্ৰসাৰী আছিল। তেওঁৰ বিয়োগ আমাৰ দেশৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰৰ বাবে এক অপূৰণীয় ক্ষতি। এই শোকৰ মুহূৰ্তত তেওঁৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰিলোঁ আৰু শোকসন্তপ্ত পৰিয়ালৰ সদস্যসকলৰ প্ৰতি মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।"

# ৰাজ্যিক পৰ্যায়ত বীৰ বাল দিৱস ২০২৪ উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক পৰ্যায়ত বীৰ বাল দিৱস ২০২৪ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ আৰ, বি হাইস্কুল খেলপথাৰত অনুষ্ঠিত কৰা হয়। শিখ ধৰ্মলম্বী গুৰু গোবিন্দ সিংৰ পুত্ৰ বীৰ বাবা জোৰাৱৰ সিং আৰু বাবা ফতেক সিং দুই চাহেবে জাদে দেশৰ ধৰ্মসংস্কৃতি ৰক্ষাৰ স্বাৰ্থত নিজৰ জীৱন আত্মবলিদান দিছিল, তেখেতসকলৰ ত্যাগ আৰু বীৰত্ব জীয়াই ৰখাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ ২৬ ডিচেম্বৰ দিনটো দেশজুৰি বীৰ বাল দিৱস হিচাপে পালন কৰাৰ কথা ঘোষণা কৰে। সমান্তৰালভাৱে এই বিশেষ দিনটোত পলাশবাৰী সমষ্টিৰ আৰ, বি হাইস্কুলৰ খেলপথাৰত অনুষ্ঠিত বীৰ বাল দিৱস অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰত বীৰত্ব আৰু সাহসৰ পৰিচয় দি নাম উজলাবলৈ সক্ষম হোৱা অসমৰ বহু শিশু সকলোক বঁটা প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে মন্ত্ৰী অজন্তা নেওগ, সাংসদ বিজুলী কলিতা মেধি, কামৰূপ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰকে ধৰি ভালেসংখ্যক বিশিষ্ট লোক । উল্লিখিত উক্ত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগে কয় শক্তিশালী জাতি গঠনৰ ক্ষেত্ৰত বীৰত্ব আৰু দেশপ্ৰেমৰ ভূমিকা যথেষ্ট আছে গতিকে এই অনুষ্ঠানৰ জৰিয়তে শিশুসকল বীৰত্ব আৰু দেশপ্ৰেমৰ প্ৰতি উৎসাহিত কৰাৰ আৰু শিক্ষা প্ৰদান কৰাৰ এক প্ৰচেষ্টা যাতে শিশু সকলে দেশৰ বাবে তথা নিজেও বীৰত্ব আৰু দেশপ্ৰেমৰ শিক্ষাৰে সুনাগৰিক হ'বলৈ সক্ষম হয় ।

# অতীতৰ শিক্ষাৰে নতুনক

আমি আমাৰ কৰ্ম, চিন্তাধাৰা তথা ব্যক্তিত্ব যিমান আকৰ্ষণীয় তথা অনুকৰণীয় হিচাপে তুলি ধৰিব পাৰিম, সিমানেই সেই বিশেষ কিতাপ খনে আদৰ, সন্মান, প্ৰশংসা বুতলিবলৈ সক্ষম হ'ব। আনহাতে আমাৰ জীৱনৰ পৃষ্ঠাবোৰ যদি নেতিবাচক হয়, চল-কপটতা, অহংকাৰ, মদগৰ্বি আদি অমানবীয় গুণৰ সমাহাৰ দেখা পোৱা যায়, তেনে এখন কিতাপৰ স্থান অব্যৱহৃত, মানৱ বৰ্জিত, ধূলি-মকৰাজালেৰে আবৃত্ত এন্ধাৰ কোঠালীৰ চুক এটাহে মাথো। তেনে এখন কিতাপৰ লিখক এই পৃথিৱীৰ পৰা নোহোৱা হৈ যোৱাৰ পিছত প্ৰকৃত মানবীয় গুণেৰে পুষ্ট সকলে সেই লিখক জনক মনত পেলাই তেখেতৰ জীৱনৰ পৃষ্ঠা সমূহৰ ওপৰত আলোকপাত কৰিবলৈও কুণ্ঠাবোধ কৰে।

আমাৰ কৰ্ম-কাণ্ড, আচাৰ-ব্যৱহাৰ, ভাব-ভঙ্গীয়েই আমাৰ মানসিকতাৰ পৰিচায়ক। আমি জীৱনত লগ পোৱা প্ৰত্যেকজন ব্যক্তি, সংঘটিত হোৱা প্ৰত্যেকটো ঘটনাই আমাক বিভিন্ন তিতা মিঠা শিক্ষা প্ৰদান কৰে, তিতা খিনি বৰ্জন কৰি মিঠাখিনি আকোৱালি আগুৱাই গলেহে আগন্তুক সময় খিনিক মধুৰ ৰূপত গঢ় দি তুলিব পাৰিম।

২০২৪ বৰ্ষইও আমাক তিতা মিঠা বহুতো অভিজ্ঞতাৰে পুষ্ট কাৰিলে। জীৱনৰ পৃষ্ঠা বিলাক ভঁহিয়াই চালেই গম পাম, **পালো কি? হেৰুৱালো কি?**

২০২৫নামৰ নতুন বছৰক আদৰিবলৈ আমি প্ৰায় সকলো খিনিৰে প্ৰস্তুতি তুংগত। নতুন আশা, পৰিকল্পনা, আত্মবিশ্বাস তথা ন ন প্ৰতিজ্ঞাৰে ১ জানুৱাৰীৰ প্ৰথমটো সূৰ্য্যোদয়ৰ প্ৰতীক্ষাত অধীৰ আগ্ৰহেৰে অপেক্ষাৰত আমিবোৰৰ মনত **'পালো কি, হেৰুৱালো কি'**ৰ লগতে এটা কোটি টকীয়া প্ৰশ্নেই দোলা দিছেনে বাৰু? **'আমি দিলো কি আৰু কিমানজনৰ অশ্ৰু মচি হাঁহি বিৰিঙালো?'**

যদি এই প্ৰশ্নটোৱে দোলা দিছে, তেতিয়াহে মানুহ হৈ জন্ম লভাৰ তথা জীৱন নামৰ কিতাপ খনৰ প্ৰতিটো পৃষ্ঠা আকৰ্ষণীয়কৈ উপস্থাপনৰ সাৰ্থকতা।

সকলোলৈ ইংৰাজী নৱবৰ্ষ **২০২৫** ৰ আগতীয়া শুভেচ্ছা। আগন্তুক বৰ্ষটোৱে কঢ়িয়াই আনক সকলোলৈ জীৱন নামৰ কিতাপখনক সৰ্বাঙ্গ সুন্দৰকৈ উপস্থাপন কৰাৰ মাদকতা।

# বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিলৈ এইবৰ্ষৰ 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা'



ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট সাহিত্যিক আৰু প্ৰকাশকক প্ৰদান কৰি অহা সন্মানীয় 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা' আৰু 'অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা' ঘোষণা কৰা হয়। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সংবাদমেল যোগে এই কথা ঘোষণা কৰে। গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া অসম গ্ৰন্থমেলা, গুৱাহাটীৰ বাকৰিত এক সংবাদমেল আয়োজন কৰা হয়। সংবাদমেলত সচিব প্ৰমোদ কলিতাই উল্লেখ কৰে যে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচি ২০২৪ বৰ্ষৰ 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা'ৰে সন্মানিত হৈছে। 'ধাৰ আৰু অন্যান্য গল্প' শীৰ্ষক গ্ৰন্থখনৰ বাবে ঠংচিলৈ এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে নগদ ৫ লাখ টকা, প্ৰশস্তি-পত্ৰ, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। উল্লেখ্য, 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা' লাভ কৰা বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিৰ 'ধাৰ আৰু অন্যান্য গল্প' গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে গুৱাহাটীৰ 'বনলতা'ই। সেয়ে 'বনলতা'লৈ আগবঢ়োৱা হৈছে - 'অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা'। প্ৰকাশকৰ বঁটাত আছে নগদ ৩ লাখ টকা, মানপত্ৰ, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা।

# শুৱালকুছি সেউজী চ'ৰা ৩৫সংখ্যক বাৰ্ষিক সভা উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- চিৰ চেনেহী মোৰ ভাষা জননী। ২৫ডিচেম্বৰত প্ৰতি বছৰে "সেউজী চ'ৰা" সাহিত্যৰ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। এইবাৰো ২৫ডিচেম্বৰত শুৱালকুছিৰ সাহিত্যৰ অনুষ্ঠান সেউজী চ'ৰাৰ বাৰ্ষিক সভাখন অনুষ্ঠিত হয় শুৱালকুছি গান্ধী আশ্ৰমত। অনুষ্ঠানত আৰম্ভণিতে পতাকা উত্তোলন কৰে সেউজী চ'ৰাৰ সভাপতি (শিক্ষক) হেমেন পাঠক ডাঙৰীয়া। বন্তি প্ৰজ্বলন কৰে ধৰ্মালোচনী সভা শ্ৰী শ্ৰীশংকৰদেৱ ধামৰ(মন্দিৰ) সম্পাদক ৰামেশ্বৰ দাসে আৰু মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্য অৰ্পন কৰে কালিৰাম কাৰিকৰ হাইস্কুলৰ প্ৰধান শিক্ষক দিবাকৰ কলিতাই। তাৰ পিছত সেউজী চ'ৰাৰ উপদেষ্টা প্ৰয়াত কুশল ডেকা, আজীৱন সদস্য বিদুৰ দাস আৰু নিলোৎপল কুমাৰক ৰাজহুৱা শ্ৰদ্ধাঞ্জলী জনায় তেওঁলোকৰ পৰিয়ালবৰ্গও উপস্থিত থাকে। সভা উদ্বোধন কৰে বিকাশ কলিতাই। "শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়" অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° বিজয় কৃষ্ণ দলে কবি সন্মিলন সঞ্চালনা কৰে আৰু নৱপ্ৰজন্মৰ পৰা বয়সীয়াল ব্যক্তিলৈকে ৭২গৰাকী কবিয়ে কবিতা পাঠ কৰে। কৃত্তিকা (দহ পৃষ্ঠাত চাওক)

# 'বেটী বচাও বেটী পঢ়াও' আঁচনিৰ অধীনত মাজুলীত স্বাস্থ্য আৰু পৰিপুষ্টি মেলা



ৰঙিলী বাৰ্ত্তাসেৱা- সংকল্প: জিলা মহিলা সৱলীকৰণ কেন্দ্ৰ, পোষণ অভিযান মাজুলী, মহিলা আৰু শিশু বিকাশ বিভাগ, মাজুলীৰ উদ্যোগত মাজুলী শিশু উন্নয়ন প্ৰকল্প আৰু মাজুলী জিলা প্ৰশাসনৰ সহযোগত মাজুলী সাংস্কৃতিক প্ৰেক্ষাগৃহত 'বেটী বচাও বেটী পঢ়াও' আঁচনিৰ অধীনত স্বাস্থ্য আৰু পৰিপুষ্টি মেলা আৰু ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ব্যৱস্থাপনা নামেৰে এখনি মেলা অনুষ্ঠিত হয়। মেলাখন শুভ উদ্বধন কৰে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। মেলাখনত ০-৬ বছৰ বয়সৰ শিশুসকলৰ বাবে বৃদ্ধি নিৰীক্ষণ কোষ, মহিলা আৰু কিশোৰীসকলৰ বাবে হিম'গ্লবিন পৰীক্ষা কোষ, ঋতুস্ৰাৱ সজাগতা কোষ, প্ৰধানমন্ত্ৰী মাইক্ৰ' বন্দনা যোজনা পঞ্জীয়ন কোষ, কিশোৰী সেৰিকা গোট, খাদ্য আৰু পৰিপুষ্টি কোষ স্থাপন কৰা হয়। উক্ত পৰিপুষ্টি মেলাত ০-৬ মাহ, ৬ মাহ-৩ বছৰ, ৩ বছৰ - ৬ বছৰৰ ৯ টা শিশুক স্বাস্থ্যবান শিশুৰ বঁটা প্ৰদান কৰা হয়, ৫ গৰাকী কিশোৰীক 'Miss Haemoglobin' বঁটা প্ৰদান কৰা হয় আৰু ঋতুস্ৰাৱ সম্পৰ্কীয় গোহাৰি পত্ৰ, স্বাস্থ্য বিভাগৰ সহযোগত চেনিটেৰী নেপকিন বিতৰণ কৰা হয়। মেলাখনৰ শুভ উদ্বোধনী অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত তৰালী দাস, সহকাৰী জিলা আয়ুক্ত সংগীতা বৰুৱা, জিলা সমাজ কল্যাণ বিষয়া উত্তম অধিকাৰী উপস্থিত থাকে ।

# ভৱেশ চন্দ্ৰ দাসৰ পৰলোক



ৰঙিলী বাৰ্ত্তাসেৱা- পাণ্ডু সদিলাপুৰ ( লুইত পাৰ)ৰ সৰ্বৰবাহী ব্যক্তি ভৱেশ চন্দ্ৰ দাসৰ ২৬ ডিচেম্বৰৰ পুৱা ৮-৩০ মান বজাত আমিন গাঁৱৰ এখন চিকিৎসালয়ত পৰলোক প্ৰাপ্তি ঘটে। প্ৰায় পঁচাশী বছৰীয়া দাসৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বৃহত্তৰ অঞ্চলটোৰ অসংখ্য লোকে সমাগম কৰেহি। তেওঁ সদিলাপুৰ অঞ্চলৰ বিভিন্ন সামাজিক কৰ্মৰ লগত জড়িত আছিল। অঞ্চলটোৰ পাঠক হিচাপে সুনাম অৰ্জন কৰা দাস লুইতপাৰৰ কানাই ঠাকুৰ নামঘৰৰ স্থায়ী পাঠক আছিল। তেওঁৰ মৃত্যুৱে অঞ্চলটাৰ বৃহৎ ক্ষতিসাধন কৰিলে বুলি লোকসকলে ব্যক্ত কৰে।২৬ তাৰিখৰ বিয়লি অসংখ্য লোকৰ উপস্থিতিত দাসৰ কানাই ঠাকুৰ নামঘৰৰ সমীপতে সমাপন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে দুগৰাকী বিবাহিত কন্যা, এজন পুত্ৰ-বোৱাৰী আৰু কেইবাগৰাকীও নাতি-নাতিনী ইহসংসাৰত এৰি থৈ যায়।

# সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু)ৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ লগতে ডিব্ৰুগড় জিলা গোৰ্খা নাৰী পৰিষদ আৰু ডিব্ৰুগড় জিলাবাসীৰ সহযোগত ডিব্ৰুগড়ত আয়োজিত কেন্দ্ৰীয় তিহাৰ সন্মিলন- ২০২৪ত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে আৰু সকলোকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ ভাষণ প্ৰসংগত কয়, "গোৰ্খাসকল বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংশ। জাতীয় জীৱনৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত গোৰ্খাসকলে উল্লেখযোগ্য অৰিহণা যোগাই আহিছে। লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ যাত্ৰাতো সক্ৰিয় ভূমিকা পালন কৰিছে। গোৰ্খাসকলৰ ত্যাগ, অদম্য শক্তি, সাহস আৰু দেশপ্ৰেমৰ গাথা সৰ্বজনবিদিত। ২০৪৭ চনৰ ভিতৰত এখন বিকশিত, আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত গোৰ্খাসকলে আগভাগ ল'ব বুলি আমি দৃঢ় বিশ্বাসী।"

# অটল বিহাৰী বাজপেয়ীৰ জন্ম দিৱস উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰত্ন, প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ৰজতজ্ঞ সংখ্যক জয়ন্তীত মহানগৰীৰ আদাবাৰীৰ অটল উদ্যানত মহান নেতাগৰাকীৰ এটি প্ৰতিমূৰ্তি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উন্মোচন কৰে। আনহাতে অটল উদ্যানত আয়োজন কৰা সভা এখনতো মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে কয়- "তিনিবাৰকৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰি অটল বিহাৰী বাজপেয়ীয়ে ৰাষ্ট্ৰক সমৃদ্ধ কৰাৰ লগতে প্ৰগতিৰ নতুন বাট ৰচনা কৰিছিল এইগৰাকী জনদৰদী নেতাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক উত্তৰণৰ দিশত অপৰিসীম অৱদান যোগাই গৈছে। তেওঁ আছিল এগৰাকী শান্তিৰ দূত। ভাৰতৰ অখণ্ডতা ৰক্ষাৰ বাবে যুঁজ দিবলৈ তেওঁ কেতিয়াও পিছুৱাই অহা নাছিল। তেওঁৰ নীতি আৰু আদৰ্শই অসমক বিকাশৰ দিশত আগুৱাই যোৱাৰ বাবে সদায়ে প্ৰেৰণা যোগাব।"

# নৱবৰ্ষৰ আদৰণি আনন্দেৰে কৰোঁ আহকচোন

নৱবৰ্ষৰ আদৰণি সকলোৰে জীৱনলৈ সুখেৰে আগমন হওঁক। নৱবৰ্ষৰ আনন্দ, উল্লাসৰ হাবিয়াসবোৰ সুখৰ হওঁক। কিন্তু আজিৰ দিনবোৰ




**প্ৰাণ প্ৰতিমা বড়া, গুৱাহাটী**

জটিলতাৰ গহ্বৰত সোমাই পৰাৰ লগতে ম্লান পৰিছে আনন্দ উল্লাস। যোৱা দুবছৰৰ আগৰ অভিজ্ঞতা এটাই আজিও বুকুত শিপাই এটি অনাকাংক্ষিত বিপদৰ। ইংৰাজী নৱবৰ্ষৰ প্ৰথমটো দিনত আমি ভন্তিহতঁৰ পৰিয়ালৰ সৈতে মেঘালয়ৰ উকিয়ামলৈ যাত্ৰা কৰিলোঁ। ঘৰতে কিছু খোৱা বস্তু ৰেদি কৰি নিছিলোঁ। উকিয়ামলৈ যোৱা ৰাস্তাটো সৰু আৰু ঠেক। পাহাৰীয়া ৰাস্তা কিছু অকোঁৱাপকোঁৱা। আমি আনন্দ, উল্লাসেৰে ইংৰাজী নৱবৰ্ষৰ প্ৰথমটো দিন হেঁপাহেৰে উদযাপন কৰিবলৈ বুলি গৈছিলোঁ উকিয়ামলৈ। ৰাস্তাটো ইমান সৰু আৰু ঠেক আছিল যে দুখন গাড়ী মুখামুখিকৈ বৰ সহজতে পাৰ হ'ব নোৱাৰা অৱস্থা। সেই অকোঁৱাপকোঁৱা ৰাস্তাৰে আমি আগুৱাই গৈ আছিলোঁ কিন্তু বিপৰীত দিশৰপৰা অহা এখন গাড়ী আমাৰ গাড়ীৰ সন্মুখত আগভেটি ধৰিলে। আমাৰ গাড়ী লাহে লাহে গৈ আছিল যদিও বিপৰীত দিশৰ পৰা অহা গাড়ীখনৰ স্পীড কণ্ট্ৰোলত নাছিল। আমি বুজিব পৰা নাছিলোঁ কি হ'বলৈ গৈছে। হঠাতে বিপৰীত দিশে অহা গাড়ীখনৰ কেইজনমান যুৱকে সম্পূৰ্ণ নিচাসক্ত অৱস্থাত আমাক ৰাস্তা এৰি নিদি অভব্য আচৰণ কৰিবলৈ লয়। সিহঁতক আমি কোনো প্ৰত্যুত্তৰ নিদি আমাৰ গাড়ী পিছুৱাই ৰাস্তাৰ কাষলৈ নি সিহঁতক যাবলৈ দিয়াত যেনিবা পৰিবেশটো ঠিক হ'ল। এতিয়া কথা হ'ল আমি সিহঁতৰ লগত যদি উত্তৰা-উত্তৰি কৰিলোঁ, চিটুৰেচনটো বাৰু কি হ'লহেঁতেন? কিয়নো পাহাৰীয়া ঠাই তাতে আকৌ কোনো মানুহৰ সমাগমেই নাই। সেইদিনাখন আমাৰ লগত ঘটা ঘটনাটোয়ে আমাক শিকালে যে অচিনাকি ঠাইত এনেধৰণৰ মানুহৰ সন্মুখীন হ'লে এক ডাঙৰ বিপদৰ আশংকা থাকে। এনে পৰিস্থিতিত যিবিলাক মানুহে আৱেগক কণ্ট্ৰোল কৰিব নোৱাৰে হয়তো ডাঙৰ বিপদ এটাই কাৰোবাৰ জীৱনলৈ ডাঙৰ বিপদ মাতি আনিলেহেঁতেন।

গাড়ীখন যোৱাৰ পিছত আমি গোটেইকেইটা মানুহৰ মানসিক অৱস্থা একেবাৰে বেয়া হৈ গ'ল। দিনটো উদযাপন কৰিবলৈ গৈছিলোঁ যদিও আমাৰ সময়খিনি একেবাৰে নষ্ট হৈ গ'ল। ইয়াৰ অৰ্থ এয়া নহয় যে আমি সেই ল'ৰাকেইজনক প্ৰত্যুত্তৰ দিব নোৱাৰিলোঁহেতেঁন, কিন্তু তেনেধৰণৰ অভদ্ৰ আচৰণ কৰা ল'ৰাকেইজনক প্ৰত্যুত্তৰ দি নিজৰ বিপদ মাতিবলৈ আমাৰ কাৰোৰে ইচ্ছা নগ'ল। এনেধৰণৰ বহুত মানুহৰ জীৱনলৈ বিপদ মাতি অনা বহুতো ঘটনাই বাতৰিকাকত অথবা নিউজ চেনেলৰ শিৰোনাম দখল কৰি অহা আমাৰ দৃষ্টিগোচৰ হৈ আহিছে। নৱবৰ্ষৰ উদযাপনহে আমাৰ কাম্য কিন্তু কাৰোবাৰ উশৃঙ্খল তথা অস্বাভাৱিক অৱস্থা এটাই পৰিবেশ বিনষ্ট কৰিটো আমাৰ কাম্য কেতিয়াও নহয়। সকলোৰে সুস্থিৰ মনেৰে আনন্দ উল্লাসেৰে নৱবৰ্ষক উদযাপন কৰোঁ আহকচোন।

# ইংৰাজী নৱবৰ্ষ বন্দনা




**এছ. ইছলাম, বৰপেটা**

নৱবৰ্ষত ৰবিৰ কিৰণে
শীতৰ ঘন কুঁৱলীৰ আৱেষ্টনীত
লুকা-ভাকু খেলে,
ভাস্কৰে কুঁৱলী ঠেলি ধৰালৈ আহে
দিনটোৰ ছবি অংকন কৰে।
এটি নতুন দিনৰ প্ৰভাত
নতুন প্ৰতিশ্ৰুতিৰে কৰে আগমন
মুনিচুনি বেলিটিয়ে ২০২৪ চনৰ পুৰণি
বছৰে বিদায় লোৱাৰ পৰত।
নতুন উদ্যমেৰে শান্তিৰ বাণী লৈ
নৱ সাজোনেৰে নৱবৰ্ষই ভুমুকি মাৰিব
উৎসাহ উদ্দীপনাৰে আমাক অলংকৃত কৰিব
নৱবৰ্ষই আমাৰ মন প্ৰস্ফুটিত কৰি তুলিব।
নৱবৰ্ষই কলুষ কালিমা লগা সমাজখনক
সংস্কাৰ কৰিব চৌদিশে নিপাত হ'ব
হত্যা, লুণ্ঠন আৰু নাৰী ধৰ্ষণ,
নতুন বছৰে ৰোগ-ব্যাধি নিৰ্মূল কৰিব
জন-জীৱন মুক্ত হৈ পৰিব।
নৱবৰ্ষই শান্তিপূৰ্ণ সমন্বয় গঢ়িব
সাৰ্বজনীন বিশ্ব সমাজ স্থাপন কৰিব
সহিষ্ণুতাৰে ভৰি পৰিব মন
সুপ্ত হৈ থকা আন্ধাৰবোৰ আঁতৰাই পেলাব।
নৱবৰ্ষত সকলোৰে জীৱন ভৰি পৰক
সুখ, শান্তি আৰু সম্প্ৰীতিৰে
হিংসা-বিদ্বেষ আঁতৰাই শান্তি আৰু
বিশ্ব ভাতৃত্বৰে ভৰপূৰ হওক
তাৰে কামনা বিশ্ব প্ৰভুৰ ওচৰত।

# মাতৃ



**অলকা বুজৰ বৰুৱা,টিহু টাউন নলবাৰী**

এৰা হয়, মাতৃ হোৱাৰ সপোন এটি সকলো নাৰীৰেই থাকে। নাৰী জীৱনৰ সফলতাও যে সেইখিনিতেই। অপৰাজিতাৰো আছিল সেই সপোন আৰু তাইৰ সপোনটোৰে পূৰ্ণতাও পাইছিল। কলেজীয়া জীৱন আধৰুৱা কৰিয়েই তাই প্ৰয়াসৰ সৈতে বিয়াত বহিছিল, মানে বহিবলৈ বাধ্য হৈছিল। তাই উচ্চতৰ মাধ্যমিক পৰীক্ষাত পাছ কৰি বি, এ, ত এডমিছন লোৱাৰ কেইমাহমান পিছতে মাক হঠাৎ অসুস্থ হৈ পৰে। চিকিৎসা কৰিছিল যদিও বেমাৰ চিনাক্ত নহ'ল। প্ৰায় এটা বছৰেই মাক বিচনাত পৰি থাকিল। লাহে লাহে খাব নোৱাৰা হ'ল। এদিন মাকে ক'লে -"মই চকু মুদাৰ আগতে পবীৰ বিয়াখন চাব খোজোঁ"। বচ আৰু কোনো কথা নাই। ককায়েক আৰু দেউতাকে লগ হৈ দৰা বিচৰাৰ কাম আৰম্ভ কৰি দিলে। বিভিন্ন জনৰ খবৰ আহিল। তাৰ ভিতৰত এজন অভিযন্তাই দেউতাকহঁতৰ মন হৰণ কৰিলে। দৰাঙৰ প্ৰয়াস চহৰীয়া। সিহঁতৰ সৰু চহৰখনত চাকৰি কৰে। ভাৰাঘৰত থাকে অকলে। এদিন ধুমধামেৰে দুয়োৰে বিবাহ সম্পন্ন হৈ গ'ল। মাতৃও হ'ল দুটা ল'ৰা সন্তানৰ। সিহঁতে ডাঙৰ হৈ এজন ব্যৱসায়ী আৰু এজন চৰকাৰী চাকৰিয়াল হ'ল, বিয়া বাৰুও কৰালে। অসমীয়াত এষাৰ কথা আছে যে,"পুত্ৰক চিনিবা বিবাহৰ পৰে" তাইৰ ক্ষেত্ৰতো সেয়ে হ'ল। প্ৰয়াসে চাকৰিৰ বাবে ইঠাইৰ পৰা

( ছয় পৃষ্ঠাত চাওক)

অণুগল্প

# নৰখাদক

**শৈলেন কুমাৰ, মিৰ্জা**



অৰণ্যত বাস কৰা বাঘ এটাই যেতিয়া মানুহৰ তেজৰ সোৱাদ পাই তেতিয়া সেই বাঘটো নৰখাদক হৈ পৰে, অৱশেষত তাক গুলীয়াই মাৰিব লগা হয়। সেই একেই অৱস্থা আজি তোমাৰ হৈছে দুৰ্বল আৰু অসহায় মানুহক তুমি নিজস্ব স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিছা, অসহায় মানুহবোৰৰ তেজ পিবলৈ আৰম্ভ কৰিছা, ভ্ৰষ্ট সমাজ ব্যৱস্থাত তুমি এটা নষ্ট নৰখাদক, তোমাৰ এতিয়া অন্ত ক'ত ?

# বিভীষিকা সময়

ঃ ল'ৰা-ছোৱালীহালক স্কুলত থৈ গিৰিয়েকৰ কাৰণে টিফিনটো লৈ গৈছিল তাই আধাবাটত দেখিলে চৌদিশে কেবল ধোঁৱা, চাৰিওফালে আন্ধাৰ পোৰা পোৰা গোন্ধ ,তেজেৰে লুতুৰি পুতুৰি শৰীৰ জীৱৰ আৰ্তনাদ, আলাই আথানি এক শোকাকুল পৰিৱেশে বিৰাজ কৰিছিল। মানুহৰ দৌৰা ধপৰাত ভৰিৰ জোতা-চেণ্ডেল, বেগ ৰাস্তাত সিচৰিত হৈ পৰি থাকিল ।

সন্ধিয়া পৰত এনেকৈ বহি থাকিলে আজিও মনত পৰে জেউতিৰ ৩১অক্টোবৰ বোমা বিস্ফোৰণৰ সেই বিভীষিকাময় দিনবোৰ কথা। হস্পিটালৰ বাৰান্দাত পৰি আছিল তাই, গিৰিয়েক আই চিও ৰুমত কি কৰে একো উৱাদিহা পোৰা নাছিল। দুৰ্ঘটনাত আহত আৰু নিহত সকলৰ আত্মীয় সকলৰ হৃদয় বিদাৰক কান্দোনে আকাশ বতাহ কপাই তুলিছিল। জেউতিয়ে নিজৰ দায়িত্ব কেৱল কৰি গৈছিল সন্তান দুটিক মাকৰ হাতত গটাই দি একমাত্ৰ গিৰিয়েকৰ লগতে হস্পিটালত ব্যস্ত হৈ আছিল।বহুত কষ্ট কৰি মানুহজনক মৃত্যু মুখৰ পৰা বচালে কিন্তু তেখেতৰ বাকশক্তি চিৰদিনৰ কাৰণে হেৰুৱালে এখন ভৰি ঘুনীয়া হ'ল। আজি ১৬টা বছৰে বেদনাবোৰ বুকুত সামৰি থৈছে। সেই দিনা সন্তান দুটিৰ সৈতে একেলগে ভাত খাই হাঁহি মুখে কামলৈ ওলাই যোৱা মানুহজন ঘৰলৈ এনেদৰে আনিব লগা হ'ল এক সাঁথৰ যেন লাগে জেউতিৰ। ঈশ্বৰৰ কৃপাত ইমান ডাঙৰ অস্ত্ৰোপচাৰ পিছতো মানুহজনক ঘুৰাই পালে তাৰ কাৰণে এশবাৰ ঈশ্বৰক ধন্যবাদ দিলে। সেই দিনবোৰত ওচৰ চুবুৰীয়া বা আত্মীয় সকলে সিহঁতৰ খা-খবৰ লৈ আছিল। কিন্তু মানুহজনৰ বন্ধু বৰ্গৰ পৰাহে জেউতিয়ে সহায় পাইছিল। অনুভৱ কৰিছিল বিপদৰ বন্ধুহে আচল বন্ধু। ল'ৰা -ছোৱালীহালেও মাকৰ কষ্ট বুজি পাইছিল।

ঃ মা, ভাত হৈছে আহা বাহিৰতে থাকিবা নে? ভালেখিনি সময় হৈছে ।

ঃ গৈছোঁ ৰিমী, দেউতাৰেক আগতে দে।

ঃ মা, দেউতাই আৰু ভাইটি খালে তুমি আৰু মই হে আছোঁ।

ঃ হ'ব দে গৈছোঁ ।

ঃ ৰিমীয়ে যিমানেই ভাতখিনি বাঢ়ি ভাল খিনি মাকক নিদিয়ক কিয় কিন্তু মাকে তেখেতৰ কাঁহীৰ পৰা অলপ হ'লেও জীয়েক দিয়েই এয়া যে হৃদয়ৰ মৰম। মাকেহে বুজি পাই সন্তানৰ মনৰ অনুভৱ।

ঃ মা, তুমি যোৱা বিচনাত উঠা মই বাচন বৰ্তন সামৰি থৈ দিওঁ।

ঃ নালাগে দে, অকণমান ময়ো কৰোঁ। আজিকালি মোক তেনেকৈ একো কৰিব নিদিয় মাজনী।

ঃ যোৱা বুলিছো নহয়। তুমি জিৰণি লোৱা পাৰিম, মই থাকোঁতে তুমি কিয় কৰিব লাগে।

ঃ এনেকৈ আৰামত ৰাখিলে মাজনী মই এলেহুৱা হম---

ঃ সেইবোৰ একো নহয় তুমি সদায় কৰিয়েই থাকা। মাজে সময়ে আমিও কৰিব লাগে, ঘৰৰ কাম কৰি মা-দেউতাক সহায় কৰা সন্তানসকলৰো কৰ্তব্য---নহয় নে মা??

ঃ জীয়কৰ কথাত তেওঁৰ চকু ভৰি আহিল। তাইক বিয়া দিলে তেখেতৰ ঘৰ উদং হ'ব ভাবিলেই হৃদয়খনত শোকে খুন্দা মাৰি ধৰে। তথাপিও এদিন দিবই লাগিব ছোৱালী পৰৰ ঘৰ শুৱনি। কিন্তু তাইক পঢ়াই শুনাই নিজৰ ভৰিত থিয় নিদিয়াকৈ বিয়া নিদিয়ে সেয়া তেওঁ মনতে সংকল্প কৰি ল'লে। ছোৱালীক আত্মনিৰ্ভৰশীল কৰি তুলিলে তাইৰ জীৱন সুৰক্ষিত হ'ব সেয়া নিজৰ জীৱনৰ অভিজ্ঞতাৰ পৰা ভালদৰে উপলব্ধি কৰিলে।

তেখেতে বিপদৰ সেই সময়ত কিমান প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল এতিয়াও হৈয়ে আছে। অৰ্থনৈতিক নিৰাপত্তাৰ খুবেই প্ৰয়োজনীয় সংসাৰ এখনৰ কাৰণে নিজৰ জীৱনৰ চালিকা শক্তিৰ উৎস অন্যতম। ল'ৰা আৰু ছোৱালী দুয়োটাকে উপযুক্ত কৰি গঢ়ি তুলিবলৈ জেউতিৰ যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছে। এইফালে গিৰিয়েকৰ ঔষধ পাতিৰ খৰছ আছে গতিকে ঘৰতে এখন গেলামালৰ দোকান দি লৈছে গিৰিয়েক দোকানত বহি থাকে তাই মালবস্তু জুখি দিয়ে তাৰ মাজতে তাঁত শালখনক এপাক বহে জীৱন সংগ্ৰাম কৰি গৈছে। ছোৱালী জনীয়েও কলেজৰ পৰা আহি তাঁত শালখনতা বহে চাকৰি কাৰণেও ইন্টাৰভিউবোৰ দি আছে। ল'ৰাৰ এইবাৰ ইঞ্জিনিয়াৰিং পঢ়া শেষ হ'ব সিও কৰ্মত নিয়োজিত হ'ব পাৰিব। সিহঁতে সকলো কৰি যাব'লৈ প্ৰস্তুত মাত্ৰ নেদেখাজনে আশীৰ্বাদ থাকিলে হ'ব।

**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**



# নৱবৰ্ষ মানেই নতুন ৰেঙণী



অনুভৱবোৰ একেই থাকিব
মাথোঁ পুৰণিৰ ঠাইত
কিছু নতুনৰ সংযোজন ঘটিব
সময়বোৰ ও সেই একেই থাকিব
মাথোঁ এটা সংখ্যাৰ হে সলনি ঘটিব
উশাহটি ও একেদৰেই থাকিব
হয়টো আশাবোৰেই কিছু বাগৰ সলাব
স্মৃতিবোৰ ও একেই থাকিব
মাথোঁ নতুনত্বই তাত কিছু ৰহণ সানি দিব
তাৰ পাছত ও ইমান আয়োজন কিহৰ বাবে
প্ৰতিবাৰেই আমি কিয়
ইমান মতলীয়া হৈ যাওঁ
যে নতুন সময় সমাগত বুলি
য'ত সকলোবোৰ একেই থাকিব
তাতেই আমি ইমান উত্ৰাৱলী হৈ পৰোঁ
কিয় জানে নে ?
সেয়াই হৈছে আশা
যাৰ বাবেই জীয়াই আছোঁ আমি
হেৰুওৱা সুখবোৰক আকৌ পাম বুলি
বিষাদে আৱৰি ধৰা হৃদয়খন
পুনৰ হব বুলি মুকলি
মৰহি যোৱা সপোনবোৰে ও
উঠে নকৈ সাজি কাঁচি
কিয় জানে
সেই নতুন সময়ে যেন
নতুন ৰূপত সজাই তুলিব
হৃদয়ৰ উপেক্ষিত বাসনাবোৰ
আৰু অধিক মধুৰ হৈ পৰিব
আমাৰ দীৰ্ঘদিনীয়া অপেক্ষাবোৰ ।

# মাতৃ

সিঠাইলৈ ঘুৰি ফুৰিব লগা হয়। তাই অকলে ঘৰৰ সকলো কাম কৰি অতাই সিহঁত দুটাক গধূলি পঢ়োৱাকে ধৰি সকলোবোৰ কাম কৰিব লাগে। সিহঁতেও মাক নহ'লে এখন্তেকো থাকিব নোৱাৰে। কিন্তু সেই পুত্ৰয়েই বিয়াৰ পিছত তাইৰ প্ৰয়োজন অনুভৱ নকৰা হ'ল ।

আজি দুদিন ধৰি তাইৰ জ্বৰ। তাই নিজৰ কোঠাটোৰ ভিতৰত শুই আছে অকলে অকলে। প্ৰয়াসে অফিচলৈ যোৱাৰ আগত ডালি ভাত অলপ বনাই নিজে খাই তাইলৈ বাঢ়ি থৈ অফিচলৈ যায়। আহি আকৌ বনাই ৰাতিলৈ। পুতেক বোৱাৰীয়েকহ'তৰ তাইৰ খবৰ ল'বলৈ সময় নাই। সিহঁতৰ মাকহঁতৰ ঘৰৰ মানুহ আহিলে কিন্তু সিহঁতৰ গা সাতখন আঠখন হয়। মাছে, মঙহে ৰান্ধে। আচলতে বোৱাৰীয়েকহঁতক দোষ দি একো লাভ নাই।যদি নিজৰ পুত্ৰয়েই মাকক সন্মান আৰু মূল্য দিব নাজানে বোৱাৰীয়েকহঁতে কিয় দিব সন্মান।

তাই ভাৱে তাইৰ মাতৃত্বৰ মমতাত ছাগে ক'ৰবাত অকণ হ'লেও খুঁত ৰৈ গৈছে যাৰ বাবে সিহঁতে আত্মসন্মান আৰু আত্ম অভিমান দুয়োটাই পাহৰি গৈছে। তাই বুজি নাপায় মানুহে কিয় পুত্ৰ সন্তানৰ বাবে হাহাকাৰ কৰে? পুত্ৰই হেনো মুক্তি দিয়ে। যদি এয়ে মুক্তিৰ নমুনা হয় তেন্তে নালাগে তাইক তেনে মুক্তি, তেনে পুত্ৰ। তাই প্ৰয়াসক মাতি ক'লে - 'কাইলৈয়ে উকীল এটা মাতি আমাৰ অবৰ্তমানত মাটিখিনি এখন বৃদ্ধাশ্ৰমৰ নামত উইল কৰি থ'ব। আমিও বুঢ়া হ'লে তাতেই থাকিম।'

# মানৱ ৰূপী দানৱ

মানুহক 'জীৱ শ্ৰেষ্ঠ' বুলি অভিহিত কৰাটো বহু সময়ত ভুল প্ৰমাণিত হৈ আহিছে কিছুমান মানুহৰ কু-কৰ্মৰ বাবেই। বৰ্তমান সময়ত মানুহৰ জীৱনৰ পৰা যেন কবিতা, সুকুমাৰ কলা আদি বিষয়বোৰে মেলানি মাগিছে। তাৰ ঠাই অধিকাৰ কৰিছে হিংসা, নাৰী মাংসৰ সোৱাদৰ প্ৰৱনতা তথা লোলুপতাই। মানুহৰ মাজত শিক্ষিতৰ সংখ্যা বৃদ্ধি পাইছে সঁচা, কিন্তু ইতৰ প্ৰাণীৰ পৰ্যায়ৰ পৰা মানুহ আজিও সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই। মানুহৰ পৰা অমানুহ হোৱাৰ বাটটো যেন চমু হৈ



**নিবেদিতা হাজৰিকা,লখিমপুৰ**

(বাৰপৃষ্ঠাত চাওক)



অসম চৰকাৰ
মিছন বসুন্ধৰা ৩.০
মোৰ মাটি, মোৰ অধিকাৰ
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
JANASANYOG- 3621/24/29-Dec-24
ডিজিটেলাইজড মাধ্যমেৰে অনুষ্ঠান/প্ৰতিষ্ঠানৰ পক্ষে
ভূমিৰ আবণ্টন/বন্দৱস্তি সেৱাৰ ক্ষেত্ৰত অসম চৰকাৰে লৈ আহিছে
বিশেষ সুবিধা
বিশেষত্বসমূহ
কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ ভূমিৰ আবণ্টন/বন্দৱস্তিৰ সুবিধা
বেচৰকাৰী শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক-সাংস্কৃতিক অনুষ্ঠানলৈ আবণ্টন/বন্দৱস্তিৰ সুবিধা
১ অক্টোবৰ, ২০২১ৰ পূৰ্বে গ্ৰামাঞ্চলত ৩ বছৰ আৰু নগৰ অঞ্চলত ১০ বছৰৰ দখলাধীন ভূমিৰ আবণ্টন/বন্দৱস্তি
আবেদনৰ সময়ত "পঞ্জীয়নৰ তথ্য/ প্ৰমাণ-পত্ৰ" দাখিল নকৰাকৈয়ে অনুষ্ঠান/প্ৰতিষ্ঠানে মিছন বসুন্ধৰা ৩.০-ত আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত আবণ্টন/বন্দৱস্তি পোৱাৰ আগতে আবেদনকাৰীসকলে উক্ত পঞ্জীয়নৰ তথ্য আৰু প্ৰমাণ-পত্ৰ অনলাইনযোগে দাখিল কৰিব পাৰিব
কিদৰে সুবিধা লাভ কৰিব ?
sewasetu.assam.gov.in পৰ্টেলৰ জৰিয়তে লগ ইন কৰি আধাৰ আৰু পান কাৰ্ডৰ সহায়ত e-KYC সম্পন্ন কৰি আবেদন সম্পূৰ্ণ কৰিব পাৰে
অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন কৰিব পাৰে
আবেদনৰ অন্তিম তাৰিখ ৩১ ডিচেম্বৰ ২০২৪
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# How Indigenous Knowledge and Technology can play a crucial role in the Sustainable Development of Northeast India



Prakritish Bhattacharyya

Northeast India is a home of more than 200 Tribes and hence there are a plethora of Indigenous Knowledge and Technologies in this region. These Knowledge system and Technologies are used by the Natives and the Tribes for various purposes such as for carrying out Agricultural practices and Agricultural activities, for enhancing the quality of soil fertility, for increasing the shelf life of food items, for effective and safe storing of various items, effective waste management, curing of various ailments and diseases with the knowledge of medicinal herbs and plants, etc.

These days many farmers without the knowledge and awareness of Indigenous Knowledge uses commercially manufactured fertilisers for enhancing soil quality of their farmlands and not only fertilisers but also pesticides and insecticides which sometimes affects the crops as well and because of such heavy dependency and usage of commercial fertilisers, insecticides and pesticides which are loaded with chemicals it affects the quality of the land in the long run and it takes a lot of efforts to grow crops in that land in the coming years over time as the land is infused with so many chemical compounds over time that it loses it's natural elements. In many parts of the Nort Eastern Region of India Cow Dung Slurry and Cattle Urine is used as a natural pesticide that protects the crops from insect and pest attacks. Vegetable peels are used as fertilisers that enriches the quality of the soil.

There are also numerous approaches and techniques of Farming which are followed by various Tribes of the North Eastern Region of India. The Bamboo Drip Irrigation Technique in the Jaintia Hills of Meghalaya is a very innovative yet age old Indigenous Knowledge and Technology based method of farming, under this approach of farming the water from the natural sources which are present at a highly elevated place are made to travel through bamboo channels with the help of gravity to the agriculture fields where the crops are grown.

In many tribes of the North East India the agricultural fields which are used for growing paddy crops are also used for fishing, as paddy requires a lot of water to grow, the paddy fields are covered with small water bodies in a manner that do not destroys or harms the paddy crops because of excess water but are beneficial for the crops so that they get sufficient and an optimum level of water for them to grow properly and in these small water bodies fishing activities can also be done, it is a very effective and an age old Indigenous Knowledge of the Tribes. Similarly there is Jhum Cultivation Method or Shifting Cultivation in which various types of crops can be grown.

Apart from the agricultural techniques and systems of Indigenous Knowledge there are also understanding of the herbs, trees and plants amongst the Tribes which are used in various purposes like medicine for various ailments, as food items like bamboo shoots , for making various traditional products and handicrafts like the handicrafts and items made of bamboo.

There are also numerous Festivals and Celebrations that occur in the States of Northeast India like the Hornbill Festival in Nagaland which is related to Agriculture. In Meghalaya there is Nongkrem Dance Festival which is a Harvest Thanksgiving Festival,similarly there are different festivals celebrated in all the eight States of the North East Region of our Country.

The Indigenous Knowledge and Technology of more than the 200 tribes of the North Eastern Region of India can be best utilised with proper planning and formulation of effective strategies to implement such knowledge and technologies in broader fields and in various important projects of the Northeast States.

# সময় এক মূল্যৱান সম্পদ

সংযুক্তা দত্ত, মিছামৰা

আমি দুটা বস্তু কেতিয়াও উভতাই ঘূৰাই নাপাওঁ সেয়া হ'ল - এবাৰ মুখৰ পৰা ওলোৱা বাক্য আৰু আনটো হ'ল- এবাৰ গুছি যোৱা সময়। পৃথিৱীত এনেকুৱা একো আৱিষ্কাৰ হোৱা নাই এতিয়ালৈকে যি সময়ক ধৰি ৰাখিব পাৰে। সময়ক আমি কেতিয়াও ধৰি ৰাখিব নোৱাৰো বা কিনিবও নোৱাৰো আৰু আনৰ পৰা সময় ধাৰ কৰিবও নোৱাৰো। সময় এবাৰ যি যায় যায়েই। সেই সময় আমি কেতিয়াও ঘূৰাই আনিব নোৱাৰো। সময়ে কেৱল স্মৃতিহে এৰি থৈ যাব পাৰে। সেয়াই ভালেই হওঁক বা বেয়াই। মানুহৰ জীৱনৰ এক মূল্যৱান সম্পদ হ'ল সময় আৰু সেইবাবে সময়ক লৈ মানুহে বহুত চিন্তা-চৰ্চা কৰে। বিভিন্নজনে বিভিন্ন সময়ত সময়ক লৈ প্ৰবন্ধ লিখাও দেখা পোৱা যায়। সময়ক লৈ বিভিন্ন সময়ত মহান শিল্পী সকলে সংগীতো লিখি থৈ গৈছে। যি সমূহ আমি বৰ্তমান সময়ত শুনিবলৈ পাওঁ। প্ৰত্যেকৰে জীৱনত যে সময়ৰ মূল্য আছে এই কথা গীত সমূহৰ মাজেৰে প্ৰকাশ পাইছে। বিদ্যালয়ত শিক্ষক সকলেও ছাত্ৰ-ছাত্ৰী সকলক প্ৰায়ে কয় - সময়ৰ কাম সময়ত কৰিবা। এই কথাষাৰ কিয় ক'ব লগা হয় ভাবি চাইছে নে ? এই কথাষাৰ এই কাৰণে ক'ব লগীয়া হয় যে - সাধাৰণতে আমি কামবোৰ থৈ দিওঁ আমাৰ হাতত বহুত সময় আছে পাছত কৰিম । কিন্তু সময় যে আমাৰ বাবে ৰৈ নাথাকে আমি কথাষাৰ পাহৰিয়ে যাওঁ। আৰু সেইবাবে আমাক মাজে সময়ে সোঁৱৰাই দিব লগা হয় যে - সময়ৰ কাম সদায় সময়ত কৰিবা। সময়ৰ কাম সময়ত কৰিব পৰাটো এটা ভাল অভ্যাস। কিন্তু সময় নাই হাতত সময় নাই বুলি কৈ থকাটো হে এটা বেয়া অভ্যাস। এজন ব্যক্তিয়ে যদি ২৪ ঘণ্টাত সকলো



কাম সময়ত কৰিব পাৰে। তেতিয়া আপুনি আৰু মই সময় নাই সময় নাই বুলি কৈ থকা যুক্তিটো ক'ত? সকলোৰে হাতত ২৪ ঘণ্টায়ে সময় থাকে সেই সময়খিনি কেনেদৰে ব্যৱহাৰ কৰে সেয়াহে আমাৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ হাতত অফুৰন্ত সময় থাকে মাত্ৰ সঠিক ভাৱে ব্যৱহাৰ কৰিলে আমিও হাতত সময় নাই বুলি ক'ব লগা নহয় ।

মহান দাৰ্শনিক চাণক্যই কৈছিল- জীৱনৰ এটা মুহূৰ্তও কোটি সোণৰ মুদ্ৰা দি পোৱা নাযায়। তাক যদি অবাবতে কটোৱা যায় তাতকৈ ডাঙৰ হানি কি হ'ব পাৰে? - উক্ত কথাষাৰৰ মমাৰ্থ অতি গভীৰ ।

আমি এটা কথা সদায় লক্ষ্য ৰাখিব লাগে আমাৰ লগত যদি কোনো ব্যক্তিয়ে কথা পাতে তেতিয়া যাতে আমাৰ কথাখিনিৰ দ্বাৰা ব্যক্তিজনৰ সময় অবাবত নষ্ট নহয়। যদিহে আমি অলাগতিয়াল কিছুমান কথা কৈ ব্যক্তিজনক কেতিয়াও বিৰক্তি অনুভৱ নকৰাওঁ। ঠিক তেনেদৰে আমাৰ সন্মুখত বহি কথা কোৱা জনেও এই কথাৰ প্ৰতি লক্ষ্য ৰাখিহে কথা কোৱা উচিত। যদি সেই মুহূৰ্তটো আপোনাৰ কাৰণে ব্যক্তিজনৰ বা ব্যক্তিজনৰ কাৰণে আপোনাৰ অবাবত সময় নষ্ট হৈ যায় তেতিয়া দুয়োজনৰ কাৰণে হৈ পৰিব হানিকাৰক। আমি সদায় যি কোনো কাম কৰোঁতে নিজৰ লগতে আনৰ সময়ৰ প্ৰতিও গুৰুত্ব দিয়া উচিত। কাৰণ - সময়ৰ মূল্য এজনেও আনজনক দিব নোৱাৰে।

# ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিংৰ মৃত্যুত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ গভীৰ শ্ৰদ্ধাঞ্জলি



ৰঙিলী বাৰ্তাসেৱা- ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ মৃত্যুত গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজ পৰিয়ালে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এখন স্মৃতি চাৰণ সভাৰ আয়োজন কৰে। এই সভাত উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকাই ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিংৰ ব্যক্তিত্ব আৰু অৱদানৰ বিষয়ে চমু বক্তব্য আগবঢ়ায়। জ্যেষ্ঠ অধ্যাপিকা ড° কানন মেধিয়ে তেওঁৰ কৰ্ম জীৱনৰ বিষয়ে বক্তব্য প্ৰদান কৰে। কলেজ পৰিয়ালে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে সাংসদ পুঁজিৰ পৰা অনুদান আগবঢ়োৱা আৰু কলেজখন পৰিদৰ্শন কৰা বিষয়টোৰে তেওঁৰ এই কলেজখনৰ প্ৰতি থকা সদিচ্ছাৰ কথা অতি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সভাত ছাত্ৰ একতা সভাৰ প্ৰাক্তন সদস্য সকল আৰু এপি বৰ্তমানৰ সদস্য সকল উপস্থিত থাকি প্ৰধানমন্ত্ৰীগৰাকীৰ আত্মাৰ শান্তিৰ কাৰণে শ্ৰদ্ধা জ্ঞাপন কৰে। সভাত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলে মৌন প্ৰাৰ্থনাৰে তেওঁৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰে।

# অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত বছৰৰ শেষ কুইজ সমাৰোহ



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ চানমাৰি স্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত বুক কালচাৰ নামৰ অনুষ্ঠানৰ উদ্যোগত শনিবাৰে বছৰৰ শেষৰ কুইজ সমাৰোহ আয়োজন কৰা হয়। 'অৰ'বৰ'ছ' শীৰ্ষক কুইজ প্ৰতিযোগিতাখন পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হ'য়। প্ৰতিযোগিতাখন মুকলি কৰে বিশিষ্ট লেখক, সাংস্কৃতিক কৰ্মী গোপাল জালানে। তেওঁ ভাষণত কয়- 'বুক কালচাৰে' তৃতীয়বাৰৰ বাবে আয়োজন কৰা এই প্ৰতিযোগিতাত নতুন প্ৰজন্মৰ বাবে আদৰ্শ। তেওঁলোকে নতুন প্ৰজন্মৰ মাজত জ্ঞান আহৰণৰ আদৰ্শ দাঙি ধৰিছে। বুক কালচাৰে নতুন প্ৰজন্মক আগুৱাই নিব বুলি আশা কৰিলোঁ। বছৰৰ শেষত কণ কণ শিশুসকলক অভিভাৱকসকলে এই প্ৰতিযোগিতাৰ বাবে উলিয়াই অনাৰ বাবে ধন্যবাদ জনালোঁ।' 'স্কুল অৱ থট্‌ছ' শিতান নিম্নতম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে মুকলি থকা এই প্ৰতিযোগিতাখনৰ এই শিতানত কুইজ মাষ্টাৰ হিচাপে হিচাপে থাকে ভৃগু তালুকদাৰ আৰু জিতাদিত্য নাৰ্জাৰী। পুৱা ১১:৩০ বজাৰ পৰা 'কমিউনিটাৰ শিতান'ত মুক্ত ক্ৰীড়া কুইজ (পপ সংস্কৃতিত ক্ৰীড়া) অনুষ্ঠিত হয়। এই শিতানত কুইজ মাষ্টাৰ হিচাপে থাকে ৰুদ্ৰ ডেকা আৰু নয়নজ্যোতি মেধি। দিনৰ ২:০০ বজাত 'আড্ডা-বছৰৰ শেষৰ সকলোৰে বাবে মুকলি কুইজ' শিতানত কুইজ মাষ্টাৰ হিচাপে থাকে দীপাঞ্জন দেৱ আৰু শোভিক ভট্টাচাৰ্য। এই প্ৰতিযোগিতাত বিজয়ীসকলক মুঠ ৩৬ হাজাৰ টকাৰ পুৰস্কাৰ দিয়াৰ লগতে অন্যান্য উপহাৰ দিয়া হয়। প্ৰতিযোগিতাখনত প্ৰায় ৫ শতাধিক প্ৰতিযোগিতায়ে অংশগ্ৰহণ কৰে।

# নন্দেশ্বৰ শইকীয়াৰ শ্ৰদ্ধাঞ্জলি গ্ৰন্থ 'স্মৃতি-সৌৰভ' উন্মোচন



ৰঙিলী বাৰ্তাসেৱা- মাজুলীৰ দেওদিয়াআটী গাঁৱৰ বিশিষ্ট সমাজকৰ্মী, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চিলাপথাৰ সংমণ্ডলৰ পৰা অৱসৰ গ্ৰহণ কৰা জনপ্ৰিয় জ্যেষ্ঠ বিষয়া নন্দেশ্বৰ শইকীয়াৰ আদ্যশ্ৰাদ্ধ উপলক্ষে প্ৰকাশিত শ্ৰদ্ধাঞ্জলি-গ্ৰন্থ 'স্মৃতি-সৌৰভ' দেওদিয়াআটীৰ নিজা বাসগৃহত উন্মোচন কৰা হয়। অজিত শইকীয়া আৰু অৰ্পিতা শইকীয়া সম্পাদিত গ্ৰন্থখনি উন্মোচন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই। উন্মোচক অধ্যক্ষ ডঃ শইকীয়াই কয়, অভাৱীজনক অন্তৰ উজাৰি সহায় কৰা গুণত নন্দেশ্বৰ শইকীয়া সৰ্বসাধাৰণ লোকৰ মনৰ মাজত সদায় জীয়াই থাকিব। নন্দেশ্বৰ শইকীয়াৰ পৰা উঠি অহা প্ৰজন্মই স্বনিয়োজনৰ যোগেদি কেনেকৈ স্বাৱলম্বী হ'ব লাগে তাৰ আদৰ্শ শিকিব পাৰে। শ্ৰদ্ধাঞ্জলি-গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি, শিক্ষাবিদ ৰাজীৱ দত্ত ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী তথা স্মৃতিচাৰণ সভাৰ আৰম্ভণিতে নন্দেশ্বৰ শইকীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী তথা অৱসৰী বিষয় শিক্ষয়িত্ৰী নিৰ্মলা বৰা শইকীয়াই। আৰম্ভণিতে যোৱা ১৭ ডিচেম্বৰত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত বিয়োগ ঘটা উঠি অহা প্ৰজন্মৰ আদৰ্শস্বৰূপ ব্যক্তি নন্দেশ্বৰ শইকীয়াৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে মৌন প্ৰাৰ্থনা কৰাৰ পাছতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষাবিদ দিলীপ হাজৰিকাই। সভাত সমজুৱাৰ তৰফৰ পৰা গাঁৱৰ নৱতিপৰ ব্যক্ত মুহিকান্ত শইকীয়া আৰু দেৰেন শইকীয়া, শিক্ষাবিদ দিলীপ বৰা, ভাতৃ বিশিষ্ট চিকিৎসক ডাঃ প্ৰদীপ হাটীমতা, সত্যজিৎ শইকীয়া আৰু দিলীপ হাটীমতাই নন্দেশ্বৰ শইকীয়াৰ আদৰ্শ আৰু গুণৰাজিৰ বিষয়ে অৱগত কৰে। সভাত অশীতিপৰ মহিলা কুসুম দত্ত, অৱসৰী প্ৰধান শিক্ষকদ্বয় ৰুদ্ৰ শইকীয়া আৰু ভৰেন শইকীয়া, ধীৰেন্দ্ৰ নাথ শইকীয়া, ৰুদ্ৰকান্ত শৰ্মা, নৱাম শইকীয়া, ব্ৰজেন বৰুৱা, যোগেন দত্ত, হেম হাজৰিকা, প্ৰফুল্ল বৰা, ললিত শইকীয়া, ভবেন শইকীয়া, যোগেন বৰুৱা, অতুল হাটীমতা, দিলীপ শইকীয়া, তৰুণ বৰা, মিনতি শইকীয়া বৰা, বিনীতা শইকীয়া, মুনমী শইকীয়া, ৰেখা বৰা, মিনু শইকীয়া, বিনু শইকীয়া, ৰুণু হাজৰিকা, পুত্ৰ ডঃ দীপশংকৰ শইকীয়া, কন্যা ডাঃ আৰাধনা শইকীয়া প্ৰমুখ্যে গণ্য-মান্য স্থানীয় ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত স্থানীয় শিশুশিল্পীসকলে গায়ন-বায়ন পৰিৱেশন কৰে।

# ৰঞ্জন কুমাৰ মেধিৰ

বনৰীয়া হাতী ধৰা আৰু পোহনীয়া হাতী প্ৰতিপালন প্ৰক্ৰিয়া সম্বন্ধে "The Lost Empire" নামৰ গ্ৰন্থখনিত সুন্দৰকৈ সন্নিৱিষ্ট কৰিছে। আনখন গ্ৰন্থ "Deepor Beel" গ্ৰন্থখনিৰ জৰিয়তে তেওঁ গুৱাহাটীৰ সমীপতেই থকা সমগ্ৰ চহৰখনৰ বিশাল জলশক্তিক ধৰি ৰাখিব পৰা এক বৃহৎ জলাশয় দীপৰ বিলৰ বিষয়ে এক সু-শৃংখলাবদ্ধ বিশ্লেষণৰ সুন্দৰ বৰ্ণনা কৰিছে। লিখক ৰঞ্জন কুমাৰ মেধীৰ দ্বাৰা ৰচিত এখন গ্ৰন্থ "গজ বিদ্যা" হাতীৰ বিষয়ক বিৱৰণৰ এক সম্পূৰ্ণ হাতপুথিয়ে বিগত দিনত যথেষ্ট সমাদৰ লাভ কৰিছিল কৰিছে। অনুস্থানটোত বিভিন্ন ক্ষেত্ৰৰ প্ৰতিষ্ঠিত যথেষ্ট সংখ্যক নিমন্ত্ৰিত সন্মানীয় অতিথি উপস্থিত আছিল। "বৰুৱা অফছেট প্ৰেছ এণ্ড পাব্লিচাৰ্ছৰ স্বত্বাধীকাৰী বিশিষ্ট লেখক প্ৰিয়ংকু নাৰায়ণ বৰুৱাই আত ধৰা এই সভাখনত আনন্দৰাম বৰুৱা ভাষা, কলা আৰু সংস্কৃতি সংস্থা, অসমৰ প্ৰাক্তন সঞ্চালক অধ্যাপক ড° দিলীপ কুমাৰ কলিতা, প্ৰাক্তন প্ৰধান মুখ্য বন সংৰক্ষক ড° অভিজিত ৰাভা, আন্তৰাষ্ট্ৰীয়ভাৱে খ্যাত প্ৰকৃতিবিদ তথা "আৰণ্যক"ৰ মূখ্য কাৰ্য্যবাহী বিষয়া ড° বিভব কুমাৰ তালুকদাৰ, প্ৰকৃতিপ্ৰেমী আনন্দ খাটনিয়াৰ, ডাঃ খগেন্দ্ৰ নাৰায়ণ বৰুৱা, সমাজকৰ্মী তথা বিশিষ্ট ব্যৱসায়ী পংকজ তালুকদাৰ আদি বিভিন্ন ব্যক্তিয়ে তেওঁলোকৰ মূল্যৱান বক্তব্যৰে সভাখন যথেষ্ট গাম্ভীৰ্য্যপূৰ্ণ কৰি ৰাখিছিল। অধ্যাপিকা ড° পৰিস্মিতা শৰ্মাই অনুষ্ঠিত এই গ্ৰন্থ শুভ উন্মোচনী সভাখনত উপস্থিত থকা সকলো গৰাকী ব্যক্তিকেই ধন্যবাদ জ্ঞাপন কৰে আৰু বিশেষকৈ গ্ৰন্থ দুখনৰ লেখক ৰঞ্জন কুমাৰ মেধি আৰু উপস্থিত সকলো গ্ৰন্থপ্ৰেমী তথা প্ৰকৃতিপ্ৰেমী সহিতে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন

আছিল অলংকাৰ। ব্যক্তিগতভাৱে তেওঁৰ সৈতে হোৱা প্ৰতিটো বাৰ্তালাপত সৰলতা, শালীনতা আৰু বৌদ্ধিক দক্ষতাৰ উমান পাইছিলোঁ। বিশেষকৈ প্ৰধানমন্ত্ৰী হিচাপে ড° সিঙৰ কাৰ্যকালত মই তেওঁৰ সৈতে অসম সম্পৰ্কীয় বিষয়সমূহ সন্দৰ্ভত কেইবাবাৰো বাৰ্তালাপ কৰাৰ সুযোগ পাইছিলোঁ আৰু তেওঁ সদায়ে ধৈৰ্য আৰু একাগ্ৰতাৰে আমাৰ কথা শুনি দিহা দিছিল, সামাজিক সমস্যাবোৰৰ প্ৰতি এক দৃঢ় দায়বদ্ধতা প্ৰদৰ্শন কৰিছিল। বিভাজনৰ পাছত ভাৰতক জন্মলগ্নৰে পৰা দেখা দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাটাও বিশিষ্ট পদত দেশলৈ সেৱা আগবঢ়াইছিল। মুখ্যমন্ত্ৰীয়ে কয়- মুক্ত বজাৰ অৰ্থনীতিৰ পৰা আৰম্ভ কৰা আৰু দশকজুৰি প্ৰতিক্ৰিয়াশীল সমাজতান্ত্ৰিক নীতিৰ সমাপ্তিৰ ক্ষেত্ৰত তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকাক ভাৰতৰ উত্তৰ প্ৰজন্মই সদায় স্মৰণ কৰিব। তেওঁৰ পৰলোকগমনত ৰাষ্ট্ৰই এগৰাকী মহান দেশপ্ৰেমী, বিদগ্ধ পণ্ডিত, এগৰাকী অগতানুগতিক ৰাজনীতিবিদক হেৰুৱালে। এই মুহূৰ্তত তেওঁৰ বিদেহ আত্মাৰ সদ্গতি কামনাৰ লগতে সন্মানীয় গুৰুচৰণ বাইদেউ আৰু পৰিয়ালবৰ্গ-শুভাকাংক্ষীলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। উল্লেখযোগ্য যে ড° মনমোহন সিঙৰ অসমৰে ৰাজনৈতিক সম্পৰ্ক আছিল। অসমক প্ৰতিনিধিত্ব কৰা সাংসদ হিচাপে প্ৰধানমন্ত্ৰী হৈছিল ড° মনমোহন সিং। অসমৰ পৰা ৰাজ্যসভাক প্ৰতিনিধিত্ব কৰা ড° মনমোহন সিঙে শেষৰটো কাৰ্যকাল ৰাজস্থানৰ পৰা প্ৰতিনিধিত্ব কৰিছিল। প্ৰধানমন্ত্ৰী হৈ থকা অৱস্থাত তেওঁ অসমৰ সাংসদ আছিল। ভোট দিবলৈ তেওঁ অসমলৈ আহিছিল। অসমৰ সাংসদ হিচাপে তেওঁ দুবাৰকৈ প্ৰধানমন্ত্ৰীৰ আসন অলংকৃত কৰিছিল। ইয়াৰ পূৰ্বে ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ দেশৰ বিত্তমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা ড° মনমোহন সিঙে ২০০৪ চনৰ পৰা ২০১৪ চনলৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অসমৰ পৰা তেওঁ ১৯৯১ চনত, ১৯৯৫, ২০০১, ২০০৭ আৰু ২০১৩ চনত ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল।

# ৰাষ্ট্ৰীয় মৰ্যাদাৰে নিগমবোধ

শুকুৰবাৰে নতুন দিল্লীৰ মতিলাল নেহৰু পথস্থিত নিজ বাসভৱনত শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা হয়। শনিবাৰে পুৱা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহ নিখিল ভাৰত কংগ্ৰেছ কমিটী, চমুকৈ এআইচিচিৰ মুখ্য কাৰ্যালয়ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সামৰণি পেলাই দিনৰ ১১.৩০ বজাত পুষ্পসজ্জিত বাহনত ডঃ মনমোহন সিঙৰ নশ্বৰদেহ লৈ শোক সমদল কৰি নিগমবোধ ঘাটত উপস্থিত হয়। নিগমবোধ ঘাটত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, গান্ধী পৰিয়ালৰ সদস্য ছোনিয়া গান্ধী, ৰাহুল গান্ধী, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেকে ধৰি বিশিষ্ট ৰাজনীতিকে পুষ্পাঞ্জলি অৰ্পণ কৰে। ভুটানৰ ৰজা জিগমে খেছৰ নামগিয়েল বাংছুক আৰু মৰিছাছৰ বিদেশ মন্ত্ৰীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জনায়। চিডিএছ আৰু দেশৰ তিনি সেনা বাহিনীৰ মুৰব্বীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহত পুষ্পাঞ্জলি অৰ্পণ কৰাৰ পিছতেই ৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদান কৰি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক সন্মান জনাই গান ছেলুট দিয়ে। ইয়াৰ পিছতে পৰিয়ালে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহত শিখ পৰম্পৰাগত নীতি-নিয়ম সম্পাদন কৰে আৰু পৰৱৰ্তী সময়ত সকলো নিয়ম সম্পন্ন হোৱাৰ পিছত চিতাত উঠাই দিয়া হয় ডঃ মনমোহন সিঙৰ নশ্বৰদেহ। এক শোকাকুল পৰিৱেশৰ মাজত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ পত্নী গুৰচৰণ কৌৰ আৰু কন্যাৰ উপস্থিতিত পঞ্চভূতত বিলীন হয় ডঃ মনমোহন সিঙৰ নশ্বৰদেহ।

# দেশৰ বজাৰত প্ৰচলিত

নিশ্চিত হৈছে। বজাৰত উপলব্ধ ১১১বিধ ঔষধৰ মান নিম্ন হোৱাৰ তথ্য নিশ্চিত হোৱাৰ পিছতে চিডিএছচিঅ'ই বজাৰত সতৰ্কবাণী জাৰি কৰিছে। এই ঔষধ প্ৰস্তুত কৰা কোম্পানীসমূহক ইতিমধ্যে এই সন্দৰ্ভত জাননী জাৰি কৰা হৈছে। বজাৰৰ পৰা শীঘ্ৰেই এই ঔষধসমূহ প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশো দিয়া হৈছে। লক্ষণীয় যে ঔষধৰ এই মান নিৰীক্ষণৰ সময়ত দুবিধ ঔষধ বিষাক্ত বুলিও ধৰা পৰিছে। এই ঔষধ দুবিধৰ ভিতৰত এবিধ বিহাৰ ড্ৰাগ্ কণ্ট্ৰ'ল অথ'ৰিটীয়ে ধৰা পেলাইছে আৰু আনবিধ উত্তৰ প্ৰদেশৰ গাজিয়াবাদত ধৰা পৰিছে। উল্লেখ্য যে এই ঔষধ দুবিধ প্ৰস্তুত কৰা কোনো কোম্পানীৰ নাম উল্লেখ নাই। ১১১বিধ ঔষধৰ ভিতৰত বহুল ব্যৱহৃত পান ডি আৰু এন্টিবায়'টিক-৬২৫ আছে। এই ঔষধ দুবিধ এলকেম লেবৰেটৰিছ আৰু গ্লাক্সোস্মিথ ক্লিন ফাৰ্মাই প্ৰস্তুত কৰিছে। নিম্নমানৰ ঔষধৰ ভিতৰত চিপলাৰ টোফাজাক টেবলেট আৰু ইণ্টাছ ফাৰ্মাৰ মনীত এছআৰ-৩০ টেবলেটো আছে।

# পঞ্চভূতত বিলীন হ'ল কটন কলেজৰ

জ্ঞাপন কৰে। তাৰ পিছত তেওঁৰ নশ্বৰদেহ পদাৰ্থ বিজ্ঞান বিভাগলৈ নিয়া হয়। তাতো শিক্ষক আৰু ছাত্ৰ- ছাত্ৰীসকলে বিশিষ্ট শিক্ষাবিদগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কটনৰ পৰা নশ্বৰদেহ পাণবজাৰৰ তাৰকাগৃহলৈ নিয়া হয়। উল্লেখ্য যে গুৱাহাটীৰ তাৰকাগৃহ স্থাপন কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল ডঃ অনিল কুমাৰ গোস্বামীয়ে। তাতে তাৰকাগৃহ কৰ্তৃপক্ষৰ লগতে কেইবাটাও সংগঠনে শিক্ষাবিদগৰাকীক শ্ৰদ্ধা জনায়। তাৰকাগৃহৰ পৰা পোনে পোনে মৃতদেহ নৱগ্ৰহ শ্মশানলৈ নিয়া হয়। নৱগ্ৰহ শ্মশানত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে বিশিষ্ট শিক্ষাবিদগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। শিক্ষাবিদগৰাকীৰ একমাত্ৰ জীয়াৰী অনিমিতা গোস্বামী ফুকনে মৃতদেহত মুখাগ্নি কৰে। নৱগ্ৰহ শ্মশানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ডঃ অমৰজ্যোতি চৌধুৰী, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ৰমেশ চন্দ্ৰ ডেকা, ন্যায়াধীশ উন্নীত কৃষ্ণ নায়াৰ, ডঃ ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ডঃ জয়নাথ শৰ্মা, বিশিষ্ট সমালোচক, অধ্যাপক প্ৰদীপ আচাৰ্য, ডঃ অৰূপ শৰ্মা, ডঃ জয়দীপ বৰুৱাকে প্ৰমুখ্য কৰি বহু বিশিষ্ট ব্যক্তিয়ে শিক্ষাবিদগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত বিশিষ্ট শিক্ষাবিদগৰাকীয়ে পত্নী তথা প্ৰখ্যাত চিকিৎসক ডাঃ অলকা গোস্বামী আৰু একমাত্ৰ কন্যা অনিমিতা গোস্বামীকে প্ৰমুখ্য কৰি বহু আত্মীয়-স্বজনক এৰি থৈ গৈছে। কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ ডঃ অনিল কুমাৰ গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বৰ্ষীয়ান শিক্ষাবিদগৰাকীৰ বিয়োগৰ পিছত অসমে এগৰাকী উজ্জ্বল ৰত্ন হেৰুৱালে বুলি উল্লেখ কৰি কটন কলেজ তথা অসমৰ সমাজ জীৱনলৈ শিক্ষাবিদগৰাকীয়ে আগবঢ়োৱা অৱদানক ৰাজ্যবাসীয়ে সদায়ে স্মৰণ কৰিব বুলি কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে শিক্ষাবিদগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী

আছিল। দেশৰ প্ৰগতিত তেওঁৰ অৱদান কেতিয়াও পাহৰিব পৰা নাযাব। তেওঁৰ জীৱনেই সংগ্ৰামক অতিক্ৰমি কিদৰে উত্থাপন হ'ব পাৰি আৰু শিখৰত উপনীত হ'ব পাৰি তাক শিক্ষণ দিয়ে। নতুন প্ৰজন্মক তেওঁৰ জীৱনে অনুপ্ৰেৰণা জনাব। ভাৰতৰ অৰ্থনৈতিক সংকটৰ সময়ত ডঃ মনমোহন সিঙে উদাৰীকৰণ নীতিৰে বিদেশী বিনিয়োগকাৰীক দেশৰ বজাৰত বিনিয়োগ কৰাত উদগনি জনাই অৰ্থনীতি উদ্ধাৰ কৰিছিল। ভাৰতৰ আধুনিক অৰ্থনীতিৰ অন্যতম ৰূপকাৰ আছিল তেওঁ। তদুপৰি ৰাজ্যসভাত সাংসদ হিচাপে তেওঁৰ যি দায়িত্ব আৰু কৰ্তব্য সদায়ে স্মৰণ কৰিব লাগিব। ৯২ বছৰ বয়সত বিয়োগ ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰখ্যাত অৰ্থনীতিবিদ ডঃ মনমোহন সিঙৰ বিয়োগত বিশ্বৰ নেতাসকলে গভীৰ শোক প্ৰকাশ কৰিছে। শিক্ষাবিদ আৰু ভাৰতৰ অৰ্থনীতিক নতুন গতি প্ৰদান কৰা ডঃ মনমোহন সিঙৰ বিয়োগত এক শোকবাৰ্তাত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰই কয়- ভাৰতে এগৰাকী মহান ব্যক্তি হেৰুৱালে আৰু ফ্ৰান্সে হেৰুৱালে এজন প্ৰকৃত বন্ধু। ডঃ মনমোহন সিঙে দেশৰ কাৰণে তেওঁৰ জীৱন উৎসৰ্গিত কৰিছিল। তেওঁৰ পৰিয়াল আৰু ভাৰতবাসীৰ প্ৰতি সমবেদনা প্ৰকাশ কৰিছে।

# প্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙৰ

লাভ কৰে। ৰাষ্ট্ৰসংঘত ১৯৬৬ চনৰ পৰা ১৯৬৯লৈ বিষয়া হিচাপে কাম কৰা ডঃমনমোহন সিঙে এগৰাকী আমোলা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ভাৰত চৰকাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ পদবী বিশেষকৈ মুখ্য অৰ্থনৈতিক উপদেষ্টা, ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰ আৰু পৰিকল্পনা আয়োগৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। ১৯৯১ চনত ভাৰতৰ অৰ্থনৈতিক সংকটৰ সময়ত তদানীন্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ চৰকাৰত বিত্তমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি ভাৰতৰ অৰ্থনীতিক সুস্থিৰ অৱস্থালৈ অনাত ডঃ মনমোহন সিঙে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতীয় অৰ্থনৈতিক সংস্কাৰৰ ক্ষেত্ৰত অনবদ্য ভূমিকা গ্ৰহণ কৰা ডঃমনমোহন সিঙে ১৯৯৮-২০০৪ চনত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী চৰকাৰৰ কাৰ্যকালত ৰাজ্যসভাত বিৰোধী দলপতি হিচাপে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ২০০৪ চনত কংগ্ৰেছ নেতৃত্বাধীন ইউপিএ চৰকাৰৰ প্ৰধানমন্ত্ৰী হিচাপে প্ৰথমবাৰৰ বাবে দায়িত্ব গ্ৰহণ কৰা ডঃ মনমোহন সিঙে ২০০৯ চনতো ইউপিএ পুনৰ শাসনৰ গাদীত অধিষ্ঠিত হোৱাত প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। উৰ্দু মাধ্যমত শিক্ষাগ্ৰহণ কৰা ডঃ মনমোহন সিঙে অমৃতসৰত হিন্দু কলেজত অধ্যয়ন কৰে। পঞ্জাৱ বিশ্ববিদ্যালয়ৰ অৰ্থনীতিত স্নাতক ডিগ্ৰী আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি পিছলৈ ১৯৫৭ চনত কেমব্ৰিজ বিশ্ববিদ্যালয়ত অৰ্থনীতিৰ ডিগ্ৰী গ্ৰহণ কৰে। কেমব্ৰিজ বিশ্ববিদ্যালয়ত ডিগ্ৰী গ্ৰহণ কৰি ভাৰতলৈ অহা ডঃ মনমোহন সিঙে কিছুদিন ধৰি পঞ্জাৱ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰে। পৰৱৰ্তী সময়ত তেওঁ অক্সফ'ৰ্ড বিশ্ববিদ্যালয়লৈ গৈ ডক্টৰেট ডিগ্ৰী লাভ কৰে। প্ৰধানমন্ত্ৰী হিচাপে প্ৰথমটো কাৰ্যকালত ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (এনএইচআৰএম) আৰম্ভ কৰা ডঃ মনমোহন সিঙৰ দ্বিতীয়টো কাৰ্যকালত শিক্ষাৰ অধিকাৰ আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ আছিল। ১৯৮৭ চনত ডঃ মনমোহন সিঙক ভাৰতৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্ম বিভূষণ' বঁটা প্ৰদান কৰা হয়। ৰাজনৈতিক নেতাৰ সমান্তৰালকৈ অৰ্থনীতিবিদ হিচাপেও দেশ আৰু বিদেশত খ্যাতি অৰ্জন কৰা ডঃ মনমোহন সিঙৰ সম্পৰ্কত ২০১৯ চনত 'দ্য এক্সিডেন্টেল প্ৰাইম মিনিষ্টাৰ' শীৰ্ষক ছবি এখন নিৰ্মাণ কৰা হৈছিল। ডঃ মনমোহন সিঙৰ বিয়োগত সমগ্ৰ দেশবাসী ম্ৰিয়মাণ হৈছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ৰাজনীতিকসকলে। ডঃ মনমোহন সিঙৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰীডঃ হিমন্ত বিশ্ব শৰ্মাই।

# মন্ত্ৰী প্ৰশান্ত ফুকন

নোপোৱাকৈ কি কাৰণত তেওঁক বঞ্চিত কৰি লাজ দিলে সেয়া পৰৱৰ্তী সময়ত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলিও ক্ষোভিত বিজেপি কৰ্মীয়ে জানিবলৈ দিয়ে। চাহ জনগোষ্ঠীসকলক কেৱল ভোট বেংক হিচাপে ৰাখিছে, কেৱল ফ্লেগ, পষ্টাৰহে লগাবলৈ দিয়াৰ পৰিৱৰ্তে ডাঙৰ কামৰ ঠিকাবোৰ কৰিবলৈ নিদিয়াৰ অভিযোগো তেওঁলোকে উত্থাপন কৰে। ইফালে প্ৰণৱ তাঁতীক যদি পুনৰ মণ্ডল সভাপতিৰ মৰ্যদ্যা ঘূৰাই নিদিয়ে তেন্তে বাগানত মন্ত্ৰী প্ৰশান্ত ফুকনৰ প্ৰৱেশ নিষিদ্ধ কৰিব বুলি বিজেপিৰ কৰ্মীসকলে হুংকাৰ প্ৰদান কৰে।

# শুৱালকুছি সেউজী

বৈশ্য নৱপ্ৰজন্মৰ এগৰাকী অষ্টম শ্ৰেণীত পঢ়ি থকা ছাত্ৰীৰ দুখনকৈ কবিতা পুথি উন্মোচন হয়। উন্মোচন কৰে "প্ৰাগ জ্যোতিষ মহাবিদ্যালয়" ৰসায়ন বিভাগৰ সহযোগী অধ্যাপক ডঃ পৰশমণি দাসে। এয়া সাহিত্যৰ ক্ষেত্ৰত নতুন দিশ সূচনা কৰে ভাষা সাহিত্য ৰক্ষাৰ শুভ লক্ষণ দেখিবলৈ পাইছোঁ। কৃতিকা বৈশ্যৰ "Thanks you universe" আৰু "আবেগৰ ৰামধেনু" কবিতা দুখন। আনন্দৰাম বৰুৱা ভাষা কলা-সাহিত্য সংস্কৃতি সংস্থাৰ গ্ৰন্থাগাৰিক ডঃ ৰিদীপ জ্যোতি কলিতা ডাঙৰীয়াই সেউজী চ'ৰাৰ প্ৰাক্তন সভানেত্ৰী কুমাৰী কামদা বৈশ্যৰো "ত্ৰিবেণী" নামৰ এখন কবিতা পুথি উন্মোচন কৰে। শুৱালকুছিৰ সেউজী চ'ৰাৰ উপদেষ্টা অনাতাঁৰ শিল্পী কনকলতা দাস আৰু বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় অধ্যক্ষ ডঃ নিহাৰঞ্জন কলিতাও সভাত উপস্থিত থাকে। সেউজী চ'ৰা সদস্যা সকলে সাংস্কৃতিক সম্পাদিকাৰ তত্বাৱধানত সুন্দৰ সমবেত সংগীতেৰে সকলোকে মন প্ৰাণ জুৰায়। হেমেন পাঠকৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু শলাগৰ শৰাই আগবঢ়ায় সেউজী চ'ৰা সম্পাদক দীপাঙ্কৰ শৰ্মাই আৰু অসম সংগীতেৰে সভা সমাপ্ত ঘোষণা কৰা হয়।

# ENGLISH NEWS SECTION

## Governor Attends 22nd Convocation of Tezpur University




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya said that higher education has transformative role in shaping individuals, society, and the nation and the university like Tezpur University should lead the way in using the reformed human resources towards Viksit Bharat. Addressing the 22nd convocation of Tezpur University in Napaam today the Governor said, "Higher education is not merely a means to enhance an individual's knowledge and skills; it is also a powerful instrument for the overall development of society and the nation." Congratulating the graduates on their accomplishments, Shri Acharya stated, "This academic achievement is a result of your hard work, dedication, and unwavering faith in your goals. I am confident that all of you will continue to contribute to the growth of your family, society, and nation through your knowledge and skills."

## Assam Governor condoles the death of former Prime Minister Dr.Manmohan Singh



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya condoled the demise of former Prime Minister Dr.Manmohan Singh. In his condolence message, Shri Acharya termed Dr.Manmohan Singh's death a great loss to the nation who spearheaded India's economic reforms scripting a new height in economic management. As a public representative he contributed immensely to the general welfare of the people at large. He served the country with deep commitment, love and compassion. Assam was very close to his heart, as he represented Assam for 28 years. "I convey my heartfelt condolences to the bereaved family members and pray to God to be with the bereaved family members in this testing time. May his soul rest in peace", the Governor added.

## Nitish Kumar Reddy scores his maiden century at the MCG



RB News:All-rounder Nitish Kumar Reddy on Saturday scored his first-ever international century on Day three of the Boxing Day Test at the Melbourne Cricket Ground. Nitish Kumar Reddy has become the first Indian cricketer to hit hundred while batting at number eight in international cricket on Australian soil. The 21-year-old reached the three-figure mark off 171 deliveries on Day 3 of the Boxing Day Test.

## Mayank Agarwal hits consecutive hundreds in Vijay Hazare Trophy

RB News: Karnataka captain Mayank Agarwal smashed an unbeaten 100 from 45 balls against Arunachal Pradesh as Karnataka chased down a 167-run target by 10 wickets (171/0) in just 14.2 overs. In his side's 3rd match versus Punjab, Mayank slammed a match-winning 139*. This is Mayank's 16th century in List A cricket.

## Zimbabwe register their highest total in Tests



RB News: Centuries from Sean Williams (154), Craig Ervine (104) and Brian Bennett (110*) saw Zimbabwe register their highest Test total of 586. They achieved this feat in the ongoing Test against Afghanistan at the Queens Park Oval in Bulawayo. This is only the third occasion where three batters from Zimbabwe have registered a ton in the same innings.

## Governor releases two books: Chanakya and Vidur




Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya released two books, Chanakya and Vidur, authored by Padmashree Dr. Joyshree Goswami Mahanta, at a function held in a city hotel here this evening. The book release function also synchronizes with the birthday of former Chief Minister Shri Prafulla Kumar Mahanta. Speaking on the occasion, Governor Shri Acharya wished Shri Prafulla Kumar Mahanta on his 72nd birthday and congratulated Mrs. Dr. Mahanta for authoring the two books. Praising her pioneering efforts in preserving and promoting literature and culture, Shri Acharya said "You have been a pioneer in preserving and promoting literature and culture. It is heartening that you have been honored with numerous awards, including the Sahitya Akademi Award". Governor Shri Acharya emphasized the significance of books in reflecting the culture, ideology, and knowledge. Stating that the books are the mirror of culture, ideology, and knowledge, he advocated that the books should be companion to every individual. The Governor commended Mrs. Dr. Mahanta's dedication to promoting India's rich cultural heritage, aligning with Prime Minister Shri Narendra Modi's vision of advancing development while nurturing country's heritage. The function was attended by Chancellor of Assam Down Town University Dr. Narendra Nath Dutta, Chairman of Sankardev Nethralaya Padma Shri Dr. Harsh Bhattacharyya, Retired Professor of Gauhati University Dr. Aparajita Barkataki along with a host of other dignitaries.

# মানৱ ৰূপী দানৱ

পৰিছে। মানুহৰ মনৰ পৰা ভগৱানৰ প্ৰতি ভয়, পাপ কৰ্মৰ প্ৰতি ভয় নোহোৱা হৈছে। মানুহৰ মনৰ পৰা মানৱতা নোহোৱা হৈছে। হিংসা, জিঘাংসা, প্ৰতিশোধ আদি ভাৱ সমূহে ঘৰ বান্ধিছে। মানুহ ৰূপী নৰ পিশাচৰ হাতত আজিৰ তাৰিখলৈ কিমানে প্ৰাণ হেৰুৱাব লগা হৈছে, কিমান যুৱতী গণ ধৰ্ষণৰ বলি হ'ব লগা হৈছে ঠিক নাই।তেজ খোৱা, নৰখাদক বুলি যে কয় ইহঁত বোৰকেই কয়। যি পৈশাচিক আনন্দ, বিকৃত আনন্দ লাভৰ বাবে, অতৃপ্ত যৌন ক্ষুধা লাভৰ বাবে এনে চৰম, অমানৱীয় পন্থা অৱলম্বন কৰে। জংঘলী, অমানুহ, দানৱৰ হাতত প্ৰাণ বিসৰ্জন দিয়া সেই নিঃসহায় অৱস্থাৰ কথা বা ঘটনাৰ বিষয়ে শুনিলে অন্তৰামা কঁপি উঠে। পোক -পৰুৱাৰ দৰে, নিঃসংকোচে মানুহ মাৰিব পৰা হ'ল। হায় ! মৃত্যু যে এতিয়া সহজ। এনে সমূহ কাৰ্য নহয়। ই অপকৰ্ম, দুঃকাৰ্য। এইবোৰ গৰিহনাৰ হে যোগ্য। সমৰ্থনৰ যোগ্য নহয়। ঘৰৰ বা পৰৰ বুলি কথা নাই, দোষীয়ে শাস্তি পাব লাগে। অপৰাধীয়ে দৃষ্টান্ত মূলক শাস্তি পাব লাগে। যি কৰ্মই সামাজিক পৰিৱেশ বিনষ্ট কৰিছে বা কৰে। অমানুহে ভৰি থকা, ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰা অমানুহৰ দানৱ ৰূপী কাৰ্যই সকলোকে ভবাই তুলিছে। এনেবোৰ দুঃসংবাদে বুকুত হাহাকাৰৰ সৃষ্টি কৰে। মন ছটফটাই উঠে।মানুহ কেনেকৈ ইমান অমানুহ হ'ব পাৰে? কাৰ ঘৰৰ সন্তান এইবোৰ ইমান উগ্ৰ, ইমান নিষ্ঠুৰ, পাশৱিক মনৰ, আসুৰিক প্ৰবৃত্তিৰ, পৈশাচিক আনন্দত মত্ত !

বাৰে -বাৰে মনলৈ আহিছে হয় আজিৰ পৃথিৱীত অমানুহৰ সংখ্যা বাঢ়িছে, মানুহৰ নিৰাপত্তা নোহোৱা হৈছে। সুক্ষ্ম অনুভূতি সমূহ নোহোৱা হৈছে। আনৰ লগত, আনৰ ওপৰত যি অবৰ্ণনীয়, পাশৱিক অত্যাচাৰ কৰি, নিঃসহায় অৱস্থাৰ আনন্দ ল'ব পাৰে সেইবোৰ মানুহ নে মানুহ ৰূপী দানৱ? জীৱ শ্ৰেষ্ঠ মানৱৰ এনে কাৰ্য সঁচাই গৰিহনাৰ যোগ্য। ইতৰ প্ৰাণীতকৈও ভয়ানক এনে বিকৃত মনৰ, নৰ মাংস লোভী নৰখাদকবোৰক ৰেপি -ৰেপি, কঠোৰতকৈ কঠোৰতম শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগে তেতিয়া অন্তঃত এই নৰপিশাচবোৰে এনে গৰ্হিত কাৰ্য কৰাৰ সাহস নকৰিব। মানুহ হৈ মানৱীয় গুণ সম্পন্ন, নিজক নিয়ন্ত্ৰণ কৰিব পৰা দক্ষতা আদি আয়ত্ব কৰিবলৈ শিকা উচিত। মানুহ হৈও আমি বহু সময়ত অমানুহলৈ পৰ্যবসিত হৈছো। ইয়াতকৈ আৰু দুখৰ খবৰ কি হ'ব পাৰে? নৰখাদকৰ পৰিচয়, নৰ খাদকৰ ৰূপ ল'বলৈ যত্ন কৰাটো অমানৱীয়। বিবেকশীল মনুষ্য হ'বলৈ প্ৰয়াস কৰা উচিত। খন্তেকীয়া সুখ সম্ভোগৰ বাবে নিজৰ বিবেক -বিবেচনা বিসৰ্জন দিয়া অনুচিত।




ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286